আদি সকলো প্ৰকাৰৰ বলেই কৰিব পাৰে আৰু তেৱেঁই হৈছে শচীন তেণ্ডুলকাৰ। উল্লেখ্য যে তেওঁ আৰম্ভণিতে মিডিয়াম পেচাৰহে হ'ব খুজিছিল। কিন্তু তেওঁৰ ক্ৰিকেট গুৰু ৰমাকান্ত আচৰেকাৰৰ পৰামৰ্শত বেট্‌ছমেন হিচাপে গঢ়ি উঠে তেণ্ডুলকাৰ।

উল্লেখ্য যে, মুম্বাইৰ শিৱাজী পাৰ্কৰ ভাৰতীয় ক্ৰিকেটলৈ বিশেষ অৱদান আছে। শিৱাজী পাৰ্কেই জন্ম দিছিল সুনীল মনোহৰ গাভাস্কাৰ, দিলীপ বেংচৰকাৰৰ দৰে বিশ্ব প্ৰসিদ্ধ ক্ৰিকেটাৰক। এই শিৱাজী পাৰ্কতেই প্ৰস্ফুটিত হৈছিল শচীনৰ বেটিং প্ৰতিভা। বসয় খুব সম্ভৱত সাত বছৰ। তেতিয়াই ক্ৰিকেট বলিয়া শচীনক প্ৰশিক্ষক ৰমাকান্ত আচৰেকাৰৰ তত্বাৱধানত ক্ৰিকেটৰ অ আ ক খ শিকাবলৈ জ্যেষ্ঠ ভাতৃ অজিত তেণ্ডুলকাৰে শিৱাজী পাৰ্কলৈ লৈ গৈছিল। বালক শচীনৰ সুপ্ত প্ৰতিভাৰ ঠিকেই উমান পাইছিল ককায়েকে। আচৰেকাৰেও শচীনৰ প্ৰতিভাত বাৰুকৈয়ে আকৃষ্ট হয়। সেয়ে ক্ৰিকেটৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া সাৰদাশ্ৰম স্কুললৈ শচীনক বদলি কৰা হয়। মাৰাঠী মুলৰ এই স্কুলখনৰ ক্ৰিকেট প্ৰশিক্ষক আছিল আচৰেকাৰ নিজেই। আচৰেকাৰৰ পৰামৰ্শমতেই নিউ মডেল ইংলিছ স্কুলৰ পৰা আহি সাৰদাশ্ৰম স্কুলত নাম লিখালে তেওঁ। আৰম্ভ হ'ল ক্ৰিকেটৰ এক নতুন পৰিক্ৰমা। স্কুল পৰ্যায়ত শচীনে ৰাণৰ জোৱাৰ তুলিলে। এটাৰ পিছত এটাকৈ দুৰ্দান্ত ইনিংছেৰে প্ৰতিপক্ষক জ্বলা-কলা কৰে শচীনে। সতীৰ্থ বিনোদ কাম্বলীৰ লগ লাগি স্কুল লীগৰ এখন মেচত অভিলেখ ৬৬২ ৰাণৰ যুটিও বান্ধিছিল তেওঁ। স্কুল ক্ৰিকেটৰ উজ্জীৱিত প্ৰদৰ্শনৰ পিছত মুম্বাই ৰঞ্জী দলত স্থান পাবৰ বাবে বেছি দিন ৰ'ব লগা নহ'ল। ৰঞ্জি মেচতো দুৰ্দান্ত হৈ উঠিছিল শচীনৰ বেট। খেলিলে কেইবাটাও শতৰাণৰ ইনিংছ। ফলস্বৰূপে জাতীয় দলত স্থান পোৱাৰ পথ হৈ পৰিল মসৃণ। বয়সত সৰু হ'লেও জাতীয় নিৰ্বাচকমণ্ডলীয়ে উপেক্ষা কৰিব নোৱাৰিলে শচীনৰ বেটিং দক্ষতাক। মাত্ৰ ১৬ বছৰ বয়সতে অসামান্য বেটিং দক্ষতাৰ অধিকাৰী হোৱাৰ বাবেই স্থান পালে পাক ভ্ৰমণসূচীৰ বাবে ঘোষণা কৰা জাতীয় দলটোত ১৯৮৯ চনত। পাকিস্তানৰ বিৰুদ্ধে গুজৰণৱালাত এদিনীয়া আন্তৰ্জাতিকত 'শূণ্য' ৰাণেৰে অভিযান আৰম্ভ কৰাৰ পিছত আজিলৈকে থমকি ৰোৱা নাই শচীনৰ বেট। উল্লেখযোগ্য যে ১৯৯০ চনত ইংলেণ্ডৰ বিৰুদ্ধে মানচেষ্টাৰত তেওঁ টেষ্ট জীৱনৰ প্ৰথম শতৰাণ কৰে। শচীন তেণ্ডুলকাৰৰ এদিনীয়া আন্তৰ্জাতিকৰ সৰ্ব্বোচ্চ স্কোৰ হৈছে ১৮৬ (অপৰাজিত) যিটো তেওঁ নিউজিলেণ্ডৰ বিৰুদ্ধে সংগ্ৰহ কৰিছিল। আনহাতে টেষ্টত তেওঁৰ সৰ্ব্বোচ্চ স্কোৰ হৈছে- ২৪৮ (অপৰাজিত) যিটো তেওঁ বাংলাদেশৰ বিৰুদ্ধে সংগ্ৰহ কৰিছিল।

যুঁজাৰু আৰু অদমনীয় মানসিকতাৰ অধিকাৰী শচীন তেণ্ডুলকাৰে তেওঁৰ ভদ্ৰোচিত ব্যৱহাৰৰ বাবেও ক্ৰিকেট বিশ্বত এক সুকীয়া আসন লাভ কৰিছে। এজন মহান বেটছমেন হিচাপেই নহয় তেওঁৰ শীতল মগজুৰ বাবেও ক্ৰিকেট বিশ্বত চিৰস্মৰণীয় হৈ থাকিব। অকল সিমানেই নহয় দুশ অনাথ শিশুৰ শিক্ষাৰ খৰছ বহন কৰিও তেওঁ অন্য এক মহানুভৱতা প্ৰকাশ কৰিছে। বিভিন্ন সংবাদমেলত প্ৰকাশ কৰা মতে ২০১১ চনত অনুষ্ঠিত হ'বলগা বিশ্বকাপ জয়েই হ'ল তেওঁৰ ক্ৰিকেট জীৱনৰ অন্তিম লক্ষ্য। ২০০৩ চনৰ বিশ্বকাপ জয়ৰ দুৱাৰডলিত উপস্থিত হৈও থমকি ৰ'ব লগা হৈছিল টীম ইণ্ডিয়া। আহক ভাৰতীয় হিচাপে আমিও শচীনৰ অন্তিম লক্ষ্য পূৰ কৰাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাওঁ। ☐☐☐

উৎস ঃ বিভিন্ন বাতৰি কাকত, আলোচনী, টিভি আদিৰ পৰা সংগৃহীত।

বিঃ দ্রঃ - প্ৰবন্ধটোত ২০০৯ চনৰ ১৭ চেপ্তেম্বৰলৈহে তেণ্ডুলকাৰৰ খেলুৱৈ জীৱনৰ পৰিক্ৰমা সামৰা হৈছে।

# বায়'ডিজেল হিচাপে ভোট-এৰা

চিত্ৰলেখা ডেকা
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)

বৰ্ত্তমান সময়ত পাৰিপাৰ্শ্বিক প্ৰদূষণ নিয়ন্ত্ৰণ কৰিবলৈ আৰু পেট্ৰ'লিয়াম ইন্ধনৰ ভাণ্ডাৰ কমি অহালৈ চাই উদ্ভিদৰ পৰা প্ৰস্তুত কৰিব পৰা জৈৱ-ইন্ধনক উপযুক্ত, প্ৰদূষণ মুক্ত আৰু বিকল্প ইন্ধন হিচাপে অধিক গুৰুত্ব দিয়া হৈছে। খনিজ ইন্ধনৰ পৰিবৰ্তে জৈৱ-ইন্ধনক ব্যৱহাৰৰ কথা গোটেই বিশ্বতে আলোচ্য হৈছে। আমেৰিকাই ২০১০ চনৰ ভিতৰত এইক্ষেত্ৰত ইন্ধনৰ ৩০ শতাংশই জৈৱ- ইন্ধনক ব্যৱহাৰ কৰিবলৈ পদক্ষেপ লৈছে। জৈৱ-ইন্ধন যান-বাহন, বিভিন্ন কল-কাৰখানা, জলসিঞ্চন পাম্প আদিত সফলতাৰে ব্যৱহাৰ কৰিব পাৰি।

ভাৰতবৰ্ষত বহুকেইবিধ উদ্ভিদ জৈৱ-ইন্ধন প্ৰস্তুতকৰণৰ বাবে চিনাক্ত কৰা হৈছে। তাৰ ভিতৰত কেইবিধমান হল, জাট্ৰফা কাৰকাচ (*Jatropha Curcus*), কৰচ(*Pongamia Pinnata*), মহুৱা (*Mahuca Indical*), নাহৰ (*Calophyllum Inophyllum*), ৰবৰ (*Hevea Brasiliensis*) আদিয়েই প্ৰধান। এই কেইবিধ উদ্ভিদৰ গুটিত থকা তেলৰ পৰিমাণ প্ৰায় ২০-৪৫ শতাংশৰ ভিতৰত হোৱাৰ বিপৰীতে জাট্ৰফা বা ভোট এৰাৰ গুটিত থকা তেলৰ পৰিমাণ ৩০-৪০ শতাংশ।

**জাট্ৰফা বা ভোট এৰাৰ বৈজ্ঞানিক ব্যাখ্যা ঃ-** জাট্ৰফা উদ্ভিদ জগতৰ ইউফ'ৰবিয়েছি পৰিয়ালৰ অৰ্ন্তভুক্ত আৰু ৩ ৰ পৰা ৪ মিটাৰমান উচ্চতাৰ জোপোহা যাৰ জন্মস্থান মেক্সিক' আৰু দক্ষিণ আমেৰিকাৰ গ্ৰীষ্ম অঞ্চল বুলি জনা যায়। "জাট্ৰফা" জাতিৰ অন্তৰ্গত সৰ্বমুঠ ১৭৫ টা মান প্ৰজাতি বিভিন্ন দেশত সিচৰিত হৈ আছে, যাৰ ৯টা প্ৰজাতিহে ভাৰতবৰ্ষত জোপোহা গুল্ম জাতীয় উদ্ভিদ হিচাপে পোৱা যায়। সেইকেইবিধ হ'ল- জাট্ৰফা কুৰকাছ (*Jatropha Curcas*), জাট্ৰফা গ'চিপিফ'লিয়া (*Jatropha Gossypifolia*), জাট্ৰফা গ্লেণ্ডিউলিফেৰা (*Jatropha Gandulifera*), জাট্ৰফা মাল্টিফিডা (*Jatropha Multifida*), জাট্ৰফা ভি'ল্লছা (*Jatropha Vilacha*), জাট্ৰফা ইন্টিগ্ৰিমা (*Jatropha Integerrima*), জাট্ৰফা পডাগ্ৰিকা (*Jatropha Podagrica*), জাট্ৰফা পানডুৰিফলিয়া (*Jatropha Pandurifolia*), জাট্ৰফা 'টাঞ্জুৰেনচিছ (*Jatropha Tanjorensis*)।

এই প্ৰজাতিসমূহৰ ভিতৰত জাট্ৰফা কুৰকাছ প্ৰজাতিবিধ ভাৰতবৰ্ষত বহুলভাৱে পোৱা যায়। জাট্ৰফা ভাৰতবৰ্ষৰ উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ, অন্ধ্ৰ-প্ৰদেশ, ৰাজস্থান, গুজৰাট, তামিলনাডু আদি ৰাজ্যসমূহত প্ৰচুৰ পৰিমাণে পোৱা যায়। উল্লেখযোগ্য যে জাট্ৰফা উদ্ভিদ এছিয়া মহাদেশলৈ প্ৰথমে পৰ্টুগীজসকলে আনিছিল বুলি জনা যায়। জাট্ৰফাক ভাৰতৰ ঠাই বিশেষে ফিজিকনাট, জামালগোটা, জংলী এৰেন্ডা, কালা এৰেণ্ড্ৰা আদি নামেৰেহে জনা যায় যদিও অসমত এইবিধ উদ্ভিদ বঙালী এৰা, ভোট এৰা, এৰেণা, ভেৰেণা আদি নামেৰে জনা যায়। অসমত তুলনামূলক ভাৱে নামনি অসমৰ গাঁওসমূহত জাট্ৰফা বেছি পৰিমাণে পোৱা যায়।

ভাৰতবৰ্ষত জাট্ৰফা এবিধ পৰ্ণপাত উদ্ভিদ হিচাপে পৰিচিত। সাধাৰণতে জুলাই-আগষ্ট মাহত জাট্ৰফাৰ ফুল ফুলে। পাতল হালধীয়া বৰণৰ ফুলৰ থোপাবোৰত ১-৫ টা মান স্ত্ৰীপুষ্প আৰু ২৫-৯৫টা মান পুংপুষ্প থাকে। ছেপ্তেম্বৰ মাহৰ শেষৰফালে জাট্ৰফাৰ ফল ধৰিবলৈ আৰম্ভ কৰে আৰু অক্টোবৰ

-নৱেশ্বৰৰ ভিতৰত ফলবোৰ পৈণত হোৱা দেখা যায়। পৈণত গুটিবোৰ হালধীয়া হ'বলৈ ধৰে আৰু সম্পূৰ্ণ পুৰঠ হ'লে ফলবোৰৰ ৰং কলা হয়। জাট্ৰফাৰ একোটা পৈণত শুকান ফলৰ ওজন দুইগ্ৰাম হয়। সেই হিচাপে প্ৰায় ১৫০০ মান শুকান গুটি মিলিহে এককেজি ওজনৰ সমান হোৱা দেখা যায়।

জাট্ৰফা খেতিৰ সম্ভাৱনীয়তা ঃ- অষ্ট্ৰেলিয়া আৰু জাৰ্মানী হ'ল জৈৱ-ইন্ধনৰ উদ্ভাৱনৰ বাটকটীয়া স্বৰূপ। বৰ্ত্তমান ভাৰত চৰকাৰেও ইয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ইন্ধনৰ উপৰিও দৰব হিচাপে, চাবোন, প্ৰসাধন সামগ্ৰীত কেঁচামাল হিচাপে, পাটপলুৰ খাদ্য হিচাপে ইয়াক ব্যৱহাৰ কৰা হয়। ভাৰতবৰ্ষত জাট্ৰফাৰ খেতিৰ সম্ভাৱনীয়তাৰ কেইটামান প্ৰয়োজনীয় দিশ হ'ল-

(ক) জাট্ৰফা আমাৰ দেশৰ জলবায়ুৰ লগত সম্পূৰ্ণৰূপে খাপ খায়। লগতে ৰাজস্থানৰ দৰে শুকান, কম মাত্ৰাৰ বৰষুণ হোৱা অঞ্চল আৰু উত্তৰ-পূৰ্বাঞ্চলৰ দৰে অতিমাত্ৰা বৰষুণ হোৱা ঠাইতো সহজে ইয়াৰ খেতি কৰিব পাৰি।

(খ) জাট্ৰফা উদ্ভিদ জীৱ-জন্তুৱে খাই ধ্বংস নকৰে ।

(গ) জাট্ৰফা ৰোপণৰ দ্বিতীয় বৰ্ষৰ পৰা গুটি লগা আৰম্ভ হয়। ইয়াক Bio-Pesticide প্ৰস্তুত কৰা কাৰ্য্যতো ব্যৱহাৰ কৰিব পাৰি।

(ঘ) জাট্ৰফা উদ্ভিদজোপাৰ গা-গছৰ বাকলিত টেনিন নামৰ জৈৱ পদাৰ্থ থাকে, যাৰ বাবে বাকলিবোৰ চিয়াহী প্ৰস্তুত কৰা উদ্যোগত কেঁচা সামগ্ৰী হিচাপে ব্যৱহাৰ কৰিব পাৰি।

(ঙ) জাট্ৰফাই বায়ুমণ্ডলৰ পৰা কাৰ্বন-ডাই-অক্সাইড গেছ প্ৰচুৰ পৰিমাণে আহৰণ কৰে। ইয়াৰ অন্তঃ কলাবোৰত কাৰ্বনবোৰ জমা হৈ থাকে আৰু ই মাটিত কাৰ্বনৰ পৰিমাণ বৃদ্ধিত সহায় কৰে। এনেদৰে জাট্ৰফাই পাৰিপাৰ্শ্বিক প্ৰদুষণ নিয়ন্ত্ৰণতো সহায় কৰে।

(চ) জাট্ৰফা তেলৰপৰা শোধনকৰি জৈৱ-ডিজেল প্ৰস্তুত কৰা সময়ত গ্লিচাৰিণ উৎপন্ন হয় যাক বিভিন্ন ধৰণৰ ঔষধ প্ৰস্তুত কৰা কামত ব্যৱহাৰ কৰা হয়।

বৰ্ত্তমান আমাৰ দেশে প্ৰয়োজনীয় মুঠ খাৰুৱা তেলৰ ৩০ শতাংশহে উৎপাদন কৰিবলৈ সক্ষম। বাকী ৭০ শতাংশ খাৰুৱা তেল আৰবীয় দেশসমূহৰ পৰা আমদানি কৰে আৰু ইয়াৰ বাবে প্ৰতি বছৰে ৮০ হাজাৰ কোটিতকৈ অধিক অৰ্থ ব্যয় কৰিব লগীয়া হয়। জাট্ৰফাৰ খেতিয়ে এই পৰিমাণ হ্ৰাস কৰিব পাৰে। এক সমীক্ষামতে ভাৰতে ২০১২ চনৰ শেষত ২৮৮ মেট্ৰিক টন বায়'ডিজেল উৎপন্ন কৰিব পাৰিব আৰু ই দেশৰ প্ৰয়োজনীয় মুঠ ডিজেলৰ ৪১.১৪ শতাংশ পূৰাব পাৰিব। ইয়াৰ উপৰি জাট্ৰফাৰ খেতিয়ে দেশৰ গ্ৰামঞ্চলৰ ১৯লাখ মানুহৰ জীৱিকা উপাৰ্জনৰ পথ প্ৰশস্ত কৰিব। তাৰোপৰি তেল নিষ্কাষণ, শোধন বিপণন আদিত বহু সংখ্যক লোক জড়িত হৈ নিজৰ লগতে দেশৰ অৰ্থনীতিৰ ভেটি সুদৃঢ় কৰিব পাৰিব। সেয়ে ভাৰতৰ পৰিকল্পনা আয়োগে (Plannig Commission of India) দেশৰ ১৮খন ৰাজ্যৰ ২০০খন জিলাত জাট্ৰফা ৰোপণৰ পৰিকল্পনা হাতত লৈছে। জাট্ৰফা খেতি পদ্ধতি অতি সহজ, যিকোনো অসাৰুৱা পতিত মাটিতো ইয়াৰখেতি কৰিব পাৰি। জাট্ৰফা বা অন্য গছৰ পৰা নিষ্কাষিত বায়'ডিজেল যান-বাহনৰ ইঞ্জিন পৰিবৰ্ত্তিত নকৰাকৈ একক ভাবে বা ২০শতাংশ বায়'ডিজেল আৰু ৮০শতাংশ জীৱাশ্ম ডিজেল অনুপাতত মিহলাই ব্যৱহাৰ কৰিব পাৰি। জীৱাশ্ম ডিজেলতকৈ বায়'ডিজেল প্ৰায় ৮০শতাংশ কাৰ্বন মনো অক্সাইড কমকৈ নিৰ্গত কৰে। তাৰোপৰি ইয়াৰ পৰা নিৰ্গত হোৱা ছালফাৰ ডাই অক্সাইডৰ পৰিমাণ অতি নগন্য।

অসমৰ লোকসকলে অতি প্ৰাচীন কালৰ পৰাই নিজৰ বাৰীৰ সীমাত জাট্ৰফা জেওৰা হিচাবে ব্যৱহাৰ কৰিবৰ কাৰণে ৰোপন কৰি আহিছে। জাট্ৰফা যে এক অৰ্থকাৰী উদ্ভিদ তাক আমাৰ খেতিয়ক সকলৰ জ্ঞাত নহয়। সেয়ে খেতিয়ক সকলক এই সম্বন্ধে জ্ঞাত কৰি জাট্ৰফা খেতিৰ বাবে উৎসাহিত কৰিলে তেওঁলোক যে অৰ্থনৈতিক ভাবে লাভান্বিত হ'ব পাৰিব সি ধ্ৰুৱ। □□□

# ৰাষ্ট্ৰমাতা কস্তুৰবা গান্ধী

জ্যোতি প্ৰভা অধিকাৰী
উঃ মাঃ ২য় বৰ্ষ (কলা)



আৰৱ সাগৰৰ কাথিৱাৰ উপকূলৰ এখন চহৰ পোৰবন্দৰ। এই চহৰৰে হিন্দু ব্যৱসায়ী গকুল দাস্ নাকন্‌জীৰ উচ্চ আভিজাত্য পূৰ্ণ প্ৰাসাদৰ সন্মুখত থকা ফুলনিখনত এজনী ধুনীয়া সৰু ছোৱালীয়ে উমলি ফুৰিছে- কিচ্‌কিচ্‌কৈ ক'লা বৈ পৰা চুলিতাৰি, নাকমুখ আৰু সুউজ্জ্বল চকুযুৰিৰে ছোৱালীজনী যেন ফুলনিখনৰ সৌন্দৰ্য্যৰ লগত ফেৰমাৰি জাকত জিলিকি আছে।

ছোৱালীজনীৰ নাম কস্তুৰবাঈ আৰু তাইৰ বয়স সাত বছৰ। কস্তুৰবাঈৰ জন্ম হোৱাৰ আগতে নাকন্‌জী দম্পতীৰ দুই তিনিটা ল'ৰা উপজিয়েই মৃত্যুৰ মুখত পৰে। সেয়ে এই ছোৱালীজনী তেওঁলোকৰ অতি আদৰৰ।

ইংৰাজী ১৮৬৯ চনৰ এপ্ৰিল মাহত কস্তুৰবাঈৰ জন্ম হয়। সৰল সাদৰী ধৰ্মপ্ৰাণা মাতৃ ব্ৰজকুৱঁৰী আৰু পিতৃ নাকন্‌জীৰ তত্ত্বাৱধানত কস্তুৰবাঈ সকলো ধৰণৰ নাৰীসুলভ তথা মানবীয় শিক্ষাৰ পূৰ্ণ প্ৰশিক্ষণ লাভ কৰিছিল। সেই সময়ৰ সামাজিক নিয়ম অনুসৰি ধৰি লোৱা হৈছিলযে ছোৱালীক ঘৰুৱা কাম-বন, ৰীতি-নীতিসমূহ ঘৰতে শিকাই বুজাই গৃহস্থালি জীৱনত স্বামীৰ সহ ধৰ্মিনী কৰি গঢ়ি তোলাই হৈছে অভিভাৱকৰ কৰ্ত্তব্য। সেই অনুসৰি ছোৱালীৰ শিক্ষালয় আছিল ঘৰখনেই। বাহিৰৰ পঢ়াশালিলৈ ছোৱালী পঢ়িবলৈ যোৱাটো নীতি বিৰুদ্ধ বুলি ধৰা হৈছিল। পুথিপাজি পঢ়িব পৰাকৈ মাতৃভাষাৰ কিছু অক্ষৰজ্ঞান হ'লেই সেই সময়ত যথেষ্ট বুলি ধৰা হৈছিল।

কস্তুৰবাঈৰ জীৱনো তাৰ বিপৰীত নাছিল। আনুষ্ঠানিক শিক্ষা লাভ কৰা নাছিল যদিও মাতৃৰ মৰম আৰু সংস্কাৰে ভৱিষ্যত জীৱনত যিকোনো অৱস্থাৰ সৈতে নিজকে খাপখোৱাকৈ ভাৰতীয় নাৰীৰ পৰম্পৰাগত গুণৰ উপাদানখিনি কস্তুৰবাঈক আয়ত্ব কৰি ল'বলৈ সহায় কৰিছিল। তাৰ দ্বাৰা এই ছোৱালীজনীয়েই ভাৰতীয় ঐতিহ্য ৰক্ষা কৰি এগৰাকী সুনিপুণা গৃহিনী তথা পবিত্ৰ নাৰীৰ লগতে বিশ্বৰ ইতিহাসত এগৰাকী অতুলনীয়া মাতৃৰূপে চিৰ পৰিচিতা হৈ'ৰ'ল।

প্ৰাচীন নীতি অনুসৰি কম বয়সতে ল'ৰা-ছোৱালীৰ বিবাহ অনুষ্ঠিত হৈছিল। সেই অনুসৰি ৰাজকোট নিবাসী দেৱান কাবা গান্ধীয়ে জ্যোতিষী লগতলৈ কনিষ্ঠ পুত্ৰ মোহনদাস কৰমচাদ গান্ধীৰ বিবাহ প্ৰস্তাব লৈ ফুলনিত উমলি থকা ছোৱালীজনী দেখি কস্তুৰবাঈৰ গৃহত উপস্থিত হ'ল। আলসুৱা ছোৱালীক নিজৰ পৰা আতঁৰ কৰিবলৈ মন নাছিল যদিও কস্তুৰবাঈৰ মাক-দেউতাকে সামাজিক নীতিক সাৰোগত কৰি বিবাহৰ প্ৰস্তাৱ স্বীকাৰ কৰে।

মোহন দাসৰ জন্ম কস্তুৰবাঈৰ সৈতে একেই বছৰৰ কিন্তু অক্টোবৰ মাহত হৈছিল। কিন্তু বিধিৰ-বিধান খণ্ডাব কোনে! দুয়োৰে বাকদান কাৰ্য (মগাই) সম্পন্ন হ'ল যদিও বিবাহ কাৰ্য সমাধা হ'বলৈ আৰু ছয়বছৰ লাগিল। তেওঁ এই কাৰণে পিতৃ গৃহত বেছি দিনলৈ থাকিবলৈ সুবিধা পালে। অৱশেষত ১৮৮২ চনত তেৰবছৰীয়া শিশু দুগৰাকী বিবাহ পাশত আবদ্ধ হয় আৰু অজানিতেই সংসাৰ ক্ষেত্ৰত খোজ পেলালে। অতি আনন্দ মুখৰ পৰিবেশেৰে বিয়াখন পাৰ হয়। আত্মীয় সকলৰ মনোযোগৰ কেন্দ্ৰ হোৱা আৰু খেলিবৰ কাৰণে নতুন সংগী পোৱাৰ বাহিৰে তেওঁলোকৰ মনত বৈবাহিক জীৱনৰ কোনো মূল্যবোধ নাছিল।

পাল্‌কীত উঠি স্বামী গৃহমুখী হওঁতেই শাহু-মাতৃ পুতুলীবাঈৰ পৰা কস্তুৰবায়ে নতুন গৃহৰ নীতি-নিয়মৰ প্ৰশিক্ষণ লাভ কৰে।

সৰুৰে পৰাই কস্তুৰবাঈ বুদ্ধিমতী, নিৰ্ভীক, তৎপৰ আছিল। তাৰবাবেই হয়তো শাহু মাতৃৰ প্ৰশিক্ষণত বাল্য-বোৱাৰীয়ে ঘৰৰ যাৱতীয় কাম নিয়াৰিকৈ কৰাৰ লগতে শহুৰ, শাহু, স্বামী, বৰজনা আদিৰ পৰিচৰ্যা অতি নিপুনতাৰে কৰিছিল। তেওঁৰ সৰল আৰু উদাৰ ব্যক্তিত্বই যে ভৱিষ্যত জীৱনত স্বামীক মহান কৰাত সহায়ক হয়, তাৰ আভাষ বাল্যপত্নী অৱস্থাৰ পৰাই বুজিব পাৰি।

বৈবাহিক জীৱনৰ পাতনিতে শিশু-স্বামীয়ে স্বামীত্বৰ গৌৰবেৰে শিশু-পত্নীৰ ওপৰত প্ৰভু হৈ পৰিল। কস্তুৰবায়ে তেওঁৰ মতে চলিব লাগিব আনকি তেওঁৰ অনুমতি অবিহনে কলৈকো যাব নোৱাৰিব। কিন্তু কস্তুৰবায়ে সেই কথা মানিবলৈ অপ্ৰস্তুত হৈ পৰে। তাৰ ফলত শিশু দম্পতীৰ মাজত মনোমালিন্যই দেখা দিয়ে। কস্তুৰবাৰ এনে দৃঢ় আৰু নিষ্কলুষ প্ৰতিবাদত গান্ধীয়ে নিজৰ ভুল বুজি উঠে আৰু পত্নীৰ ওপৰত কৰা অন্যায় ব্যৱহাৰৰ কাৰণে অনুশোচনা প্ৰকাশ কৰে।

মোহন দাসে স্ত্ৰী শিক্ষাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি নিজে ছাত্ৰ হৈ থকা সময়তে পত্নীক শিক্ষা দান কৰে। কস্তুৰবাঈৰ কিন্তু পঢ়াত মনোযোগ নাছিল বৰঞ্চ বিৰক্তিহে অনুভৱ কৰিছিল। স্বামীৰ বিপুল প্ৰচেষ্টাৰ ফলতহে তেখেতে গুজৰাটী পঢ়িব আৰু নিজৰ নাম লিখিব পৰা হৈছিল। অৱশ্যে পিছলৈ কস্তুৰবাঈ বিলাতত ইংৰাজী মহিলাৰ সৈতে ভঙা ভঙা ইংৰাজীত কথা কৈ কাম চলাই নিব পাৰিছিল আৰু আজীৱন স্বামী-পত্নীৰ এই অধ্যয়ন প্ৰণালী চলি আছিল।

সোতৰ বছৰ নৌহওঁতেই প্ৰথম পুত্ৰ হীৰালালৰ জন্ম হ'ল। স্বামী তেতিয়াও হাইস্কুলৰ ছাত্ৰ। বেচেৰী কস্তুৰবায়ে স্বনামধন্য শাহু আইৰ তত্বাৱধানত শিশু প্ৰতিপালন কৰাৰ শিক্ষা লয়। এই গৰাকী মহীয়সী নাৰীৰ নিবিড় সান্নিধ্যত নিষ্ঠাৱতী কস্তুৰবাঈ ভাৰতীয় নাৰীত্বৰ শীৰ্ষত্ব অধিকাৰ কৰি আদৰ্শ পত্নী আৰু আদৰ্শ মাতৃস্বৰূপে পৰিচিত হ'ল। গান্ধীৰ সফলতাৰ মূল কস্তুৰবাঈ বুলি গান্ধীজীয়ে নিজেই কৈ গৈছে।

মেট্ৰিক পাছ কৰাৰ পিচত বংশগত পৰম্পৰা ৰক্ষা কৰি ডাঙৰ মানুহ হৈ সমাজত প্ৰতিপত্তি লাভ কৰাৰ আশাৰে মোহন দাস বিলাতলৈ যায়। আৰ্থিক অনাতনৰ সমস্যাৰ বাবে কস্তুৰবাঈৰ অলংকাৰপাতি প্ৰয়োগ কৰাৰ ক্ষেত্ৰটো বাই নিৰ্বিকাৰে সহাৰি জনায়। বিচ্ছেদ বেদনা আৰু অজান আশংকাত কস্তুৰবাঈৰ অন্তৰ দহি গৈছে। ইপিনে কোলাত কেচুৱা। তাৰপিছত কস্তুৰবাঈ পুতুলীবাঈৰ আশ্ৰয়ত থাকিবলৈ ল'লে। দুভাৰ্গ্যবশতঃ গান্ধী বিলাতত থকা কালতেই মাতৃৰ মৃত্যু হয়।

বিলাতত তিনি বছৰ থাকি বেৰিষ্টাৰী পাছ কৰি ১৮৯১ চনত গান্ধীজী স্বদেশলৈ ঘূৰি আহে। এই বাতৰিত কস্তুৰবাঈ যথেষ্ট সুখী হ'ল। বেৰিষ্টাৰী ব্যৱসায়ৰ মানদণ্ড ৰক্ষা কৰাৰ অৰ্থে গান্ধী পৰিয়ালৰ সঁজুলি, সজ্জাৰ কিছু পৰিবৰ্তন হ'ল। ইতিমধ্যে তেওঁলোকৰ দ্বিতীয় সন্তান মণিলালৰ জন্ম হয়।

১৮৯৩ চনত হঠাতে গান্ধী পৰিয়ালত নতুন অধ্যায়ৰ সূচনা হয়। 'শেখ আব্দুলা এণ্ড কোম্পানী'ৰ বিখ্যাত মোকদৰ্মা সংক্ৰান্তত এবছৰৰ বাবে গান্ধীজী দক্ষিণ আফ্ৰিকালৈ যায়। যোৱাৰ তিনিমাহ পিছতে স্বদেশলৈ আহি পুনৰ পৰিয়াল সহ দক্ষিণ আফ্ৰিকালৈ যায়। সাত সমুদ্ৰ তেৰনদী পাৰহৈ আহি ১৮৯৭ চনৰ জানুৱাৰী মাহত দক্ষিণ আফ্ৰিকাত পৰ্দাপণ কৰাৰ লগে লগে কস্তুৰবাঈৰ জীৱনত নতুন সূৰ্যৰ উদয় হ'ল। তাত থাকোতেই তেওঁলোকৰ তৃতীয় আৰু চতুৰ্থ সন্তান ৰাম দাস আৰু দেৱ দাসৰ জন্ম হয়।

দক্ষিণ আফ্ৰিকাত সমাজসেৱা কাম আৰম্ভ কৰাৰ কালৰে পৰা গান্ধীয়ে ব্ৰহ্মাচাৰ্য সাধনাৰ কাৰণে চেষ্টা কৰিছিল। কস্তুৰবাঈও এই সিদ্ধান্তত সম্মতি জনাই নিজেই এই ব্ৰতত ব্ৰতী হয়। বৃটিছ ঔপনিবেশৰ অত্যাচাৰ ইং ১৯১৩ চনত চৰম পৰ্য্যয় পালে। কতৃপক্ষই বিধি নিষেধসূচক আইন প্ৰণয়ন কৰি এনে এখন আইন জাৰী কৰিলে যে কেৱল খৃষ্টান পদ্ধতিতহে বিবাহ সম্পন্ন হ'ব। কস্তুৰবাঈ ইয়াৰ বিপৰীতে ভাৰতীয় নাৰীসকল ৰক্ষিতাৰূপে থিয় হয়। আনকি সত্যাগ্ৰহতো অংশ লয়।

১৯১৪ চনত ইংলেণ্ডলৈ যোৱাৰ পিছত ১৯১৫ চনৰ

জানুৱাৰী মাহত গান্ধী দম্পতী বোম্বাইত (বৰ্ত্তমান মুম্বাই) উপস্থিত হয়। বহুদিনৰ মূৰত নিজ পৰিয়ালৰ লগত দেখা হৈ তেওঁলোকৰ অন্তৰ আনন্দৰে উপচি পৰিল। ইয়াৰ পিছত তেখেত স্বৰাজ আন্দোলন, সত্যাগ্ৰহ, আইন অমান্য আন্দোলনত গান্ধীজীৰ পূৰ্ণ সহযোগীৰূপে থিয় হয়।

কস্তুৰবা বৰ মৰমীয়াল কিন্তু তেওঁৰ অনুশাসন বৰ কঠোৰ আছিল। সকলো কাম সময়মতে আৰু সু-শৃংখলাৰে সমাধা নহ'লে তেওঁ বৰ বিৰক্ত হৈছিল। তেওঁৰ এই বিৰক্তিপূৰ্ণ অৱস্থাটো সকলোৱে আনকি বাপুৱেও ভয় কৰিছিল।

১৯৩২-৩৩ চনৰ বছৰ দুটা কস্তুৰবায়ে কাৰাবাস খাটিব লগা হৈছিল। দেশ মাতৃক স্বাধীন কৰাৰ প্ৰেৰণাৰে অনুপ্ৰাণিত হৈ তেখেতে ৰুগীয়া দেহাৰেও জেলৰ সকলো যাতনা সহ্য কৰি লগত থকা আন মহিলা কয়দীসকলকো সাহস দিছিল। সকলো ঠাইতে এতিয়া কস্তুৰবা "বা" অৰ্থাৎ মাতৃৰূপে পৰিচিত। ৰন্ধা-বঢ়াৰ ক্ষেত্ৰত কস্তুৰবাৰ বিশেষ চখ তথা ৰাপ আছিল। একালত তেওঁ বিবিধ উপকৰণেৰে সুস্বাদু আহাৰ ৰান্ধি মানুহক খুৱাই বৰ আনন্দ পাইছিল। অস্বাদব্ৰতী স্বামীক অনুসৰণ কৰি যেতিয়া তেওঁ সাধাৰণভাৱে আহাৰ ৰান্ধিবলৈ ল'লে তেতিয়া তেওঁৰ আগৰ অভ্যাস নাইকিয়া হ'ল। কাৰাগাৰত থকা সময়তে ১৯৪৩ চনৰ ডিচেম্বৰ মাহৰ ফালে কস্তুৰবাৰ স্বাস্থ্য একেবাৰে পৰি আহিল। উশাহ লোৱা কষ্টৰ কাৰণে তেওঁৰ টোপনিটো ব্যাঘাত ঘটে, বিছনাত পৰি থাকিব নোৱাৰে। উশাহ লোৱাৰ সুচলকৈ অক্সিজেন দিব ল'গা হ'ল। তেওঁ প্ৰথমে আপত্তি কৰিছিল। যদিও পিছলৈ নিজেই অক্সিজেন বিচৰা হ'ল। কস্তুৰবাৰ জীৱনৰ আশা ক্ষীণ হৈ আহিল। ৰোগশয্যাত তেখেতৰ হেপাহ উপজিল নাতি কানু গান্ধী আৰু প্ৰভাৱতী বহনক দেখা কৰিবলৈ। মৰণমুখী পত্নীৰ মনৰ আশা পূৰণ কৰিবলৈ বাপুৱে চৰকাৰলৈ আবেদন কৰাৰ পিছত তেওঁৰ আশা পূৰণ হ'ল। যথাসাধ্য বাপুৱে কস্তুৰবাৰ পৰিচাৰ্য্য কৰিছিল। কিছুমান কাম কস্তুৰবাঈ বাপুক কৰিবলৈ মানা কৰিছিল যদিও তেখেতে কৈছিল যে বাৰ জীৱনৰ সন্ধিয়াপৰত অকণমান সেৱা কৰাৰ এয়া এটা আপুৰুগীয়া সুযোগ ভগৱানে তেওঁক দিছে, যিটো তেখেতে গ্ৰহণ কৰিব বিচাৰে।

কস্তুৰবাৰ স্বাস্থ্যৰ বুজ ল'বলৈ ভায়েক আহিল। ভায়েকক চিনি পাই বাই চকুৰ পানী টুকিলে। কিন্তু কথা ক'ব নোৱাৰিলে। তেওঁ শেষবাৰৰ বাবে বহিবলৈ চেষ্টা কৰিলে কিন্তু বিফল হ'ল। বাপুৱে তেওঁক ধৰি ধৰি ক'লে " শুই নপৰা কিয়? .......... কস্তুৰবাঈ এইবাৰ স্বামীৰ কোলাত মূৰটো থৈ শুই পৰিল আৰু চকু পাতি দিলে, দুটামান হিকতি আহিল, গলাত তেওঁৰ ঘেৰ-ঘেৰোৱা শব্দ হ'ল, চকু মেল খালে আৰু সকলো স্থিৰ- চকুৰ পচাৰতে সকলো শেষ হৈ গ'ল। ইং ১৯৪৪ চনৰ ২২ ফেব্ৰুৱাৰীৰ মহাশিৱৰাত্ৰিৰ দিনা স্বামীৰ কোলাত মূৰথৈ ........ কস্তুৰবাঈৰ জীৱন নাটৰ যৱনিকা পৰিল আৰু কাৰাগাৰৰ বন্দিনীৰ আত্মাই চিৰমুক্তি লাভ কৰিলে। মহাসতী কস্তুৰবাঈ আজীৱন স্বামীৰ পদাংক অনুসৰণ কৰি এক অপূৰ্ব মহিমা মণ্ডিত মৃত্যু বৰণ কৰি দেশমাতৃৰ মুক্তি-বেদীত অমৰ শ্বহীদ হ'ল।

মাতা কস্তুৰবাঈ তেঁওৰ বহল হৃদয়ৰ বিশাল মাতৃ ভাৱনা আৰু নিঃস্বাৰ্থ প্ৰেমেৰে ঘৰৰ পৰা আশ্ৰম, আশ্ৰমৰ পৰা সমাজ আৰু সমাজৰ পৰা সমগ্ৰ-দেশকে নিজৰ পৰিয়ালৰ পৰিধিৰ মাজলৈ আনিব পাৰিছিল। তেওঁৰ বিশাল মাতৃৰ সেৱাৰ ভাৱনা আৰু সহৃদয়তাৰে সহজ ভাৱেই তেওঁৰ অজ্ঞাতে দেশমাতৃৰ উচ্চ স্থান পাইছিল।


কস্তুৰবাৰ অকৃত্ৰিম প্ৰেমৰ প্ৰতি শ্ৰদ্ধা জনাই দেশে তেখেতৰ মৃত্যু তিথি ২২ ফেব্ৰুৱাৰীৰ দিনটো "মাতৃ-দিৱস" স্বৰূপে পালন কৰি আহিছে। দেশ-প্ৰেম, মাতৃ-প্ৰেম, সকলোৰে প্ৰতি সম-প্ৰেম আৰু শ্ৰদ্ধাৰ বাবে তেখেত চিৰদিনৰ বাবে ৰাষ্ট্ৰমাতা ৰূপে পৰিচিত হৈ ৰ'ল। ❑❑❑

# ড০ কালামে পাহৰিব নোৱাৰা কথাবোৰ

ধনমণি বড়ো
উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা)



প্ৰবল ইচ্ছাশক্তি, বিশ্বাস আৰু আকাংক্ষা এই তিনি কথাত বিশ্বাসী ড০ আব্দুল কালাম এজন নামজ্বলা বিজ্ঞানীয়ে নহয়, দক্ষ ৰাজনীতিবিদ , শিশু সকলৰ পৰম বন্ধু তথা সমগ্ৰ পৃথিৱীৰে এজন প্ৰিয় ব্যক্তি। ১৯৩১ চনৰ ১৫ অক্টোবৰ তাৰিখে ভাৰতবৰ্ষৰ দক্ষিণ প্ৰান্তৰ ৰামেশ্বৰম নামৰ এটা সৰু দ্বীপত জন্ম গ্ৰহণ কৰা কালামৰ পিতৃৰ নাম জয়নাল আবেদিন। ৰামেশ্বৰম দ্বীপ পূৰ্বৰ মাদ্ৰাজ, বৰ্ত্তমান তামিলনাডুৰ অন্তৰ্গত। এই দ্বীপ মাটি কালিৰ ফালৰ পৰা বেছি ডাঙৰ নহয় কিন্তু প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ। এই ৰামেশ্বৰমৰে মছজিদ গলিত কালামৰ জন্ম হয়। কালামৰ সম্পূৰ্ণ নাম হ'ল আবুল পকিৰ জয়নাল আবেদিন আব্দুল কালাম। কালামৰ দেউতাকৰ কোনো আনুষ্ঠানিক শিক্ষা নাছিল। এটা পৰিয়ালৰ মূৰব্বী হিচাপে তেওঁ বৰ সৎ ব্যক্তি আছিল। *মাতৃ আচিয়ানাও এগৰাকী সু-গৃহিণী, মৰমিয়াল তথা ধৰ্মপ্ৰাণা মহিলা আছিল। কালামৰ পিতৃ-মাতৃ, তিনিজন ভাই-ককাই আৰু এজনী ভনীৰ*



> ১৯৩১ চনৰ ১৫ অক্টোবৰ তাৰিখে ভাৰতবৰ্ষৰ দক্ষিণ প্ৰান্তৰ ৰামেশ্বৰম নামৰ এটা সৰু দ্বীপত জন্ম গ্ৰহণ কৰা কালামৰ পিতৃৰ নাম জয়নাল আবেদিন। ৰামেশ্বৰম দ্বীপ পূৰ্বৰ মাদ্ৰাজ, বৰ্ত্তমান তামিলনাডুৰ অন্তৰ্গত। এই দ্বীপ মাটি কালিৰ ফালৰ পৰা বেছি ডাঙৰ নহয় কিন্তু প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ। এই ৰামেশ্বৰমৰে মছজিদ গলিত কালামৰ জন্ম হয়। কালামৰ সম্পূৰ্ণ নাম হ'ল আবুল পকিৰ জয়নাল আবেদিন আব্দুল কালাম।

কোনেও বিলাসী জীৱন কটোৱা নাছিল। তাৰ প্ৰভাৱ কালামৰ ওপৰতো পৰিছে। সেয়ে হয়তো ড০ কালামে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি হৈ থকা সময়তো বিলাসী জীৱন কটোৱা নাছিল।

ড০ কালামে তেওঁৰ জীৱনৰ উল্লেখযোগ্য কথাবোৰ

সামৰি এখন আত্মজীৱনী লিখিছে। এইখনৰ নাম "Wings of Fire" যিখন গ্ৰন্থত কালামে তেওঁৰ জীৱনৰ নানান সৰু বৰ পাহৰিব নোৱাৰা ঘটনা বৰ্ণনা কৰিছে। এই খন গ্ৰন্থত তেওঁৰ জীৱনৰ পাহৰিব নোৱাৰা স্মৃতিৰ ভিতৰত মাক আৰু দেউতাকৰ লগত কটোৱা সময়ছোৱাৰ দুটা কথা উল্লেখ কৰিছে। তাৰে প্ৰথমটো স্মৃতি হল দেউতাকৰ লগত প্ৰাৰ্থনাৰ বাবে সদায় মছজিদলৈ যোৱা আৰু দ্বিতীয়টো হ'ল মাকৰ লগত পাকঘৰৰ মজিয়াত বহি কলপাতত আহাৰ খোৱা। এই দুয়োটা কাম কৰি তেওঁ বৰ আনন্দ পাইছিল। ঘৰৰ ওচৰত থকা পুৰণা মছজিদটোলৈ শৈশৱতে তেওঁ দেউতাকৰ লগত সন্ধিয়া নামাজ পঢ়িবলৈ গৈছিল। কিন্তু তেতিয়া তাৰ অৰ্থ তেওঁ একো বুজিব পৰা নাছিল। তেওঁ মাত্ৰ এটা কথাকেই অনুভৱ কৰিছিল যে মছজিদত মানুহে এটা পৰম শক্তিৰ ওচৰত প্ৰাৰ্থনা কৰে, সেই শক্তি হৈছে পৰম কৰুণাময়। এই কৰুণাময় শক্তি সকলো প্ৰাণীৰে প্ৰিয়বন্ধু। এনেদৰেই শিশু কালামৰ কোমল মনত ভগৱানৰ প্ৰতি আত্মীয়তাৰ ভাৱ গঢ় লৈ উঠিছিল।

এটা সাধাৰণ মধ্যবিত্ত পৰিয়ালত জন্মগ্ৰহণ কৰা আব্দুল কালামে নিজৰ ঘৰখনৰ লগতে চুবুৰীটোৰ সকলো লোকৰে মৰমৰ মাজত ডাঙৰ-দীঘল হৈছিল। ইয়াৰ প্ৰভাৱ তেওঁৰ জীৱনত গভীৰভাৱে পৰিছিল। সেইবাবে আজিও তেওঁ নিজ দেশৰ সকলো শিশুকে একেটা পৰিয়ালৰ সদস্য বুলিয়েই মৰম-আদৰ কৰে। ৰামেশ্বৰমৰ চামিয়াৰ প্ৰাথমিক বিদ্যালয়তে কালামৰ শিক্ষা জীৱনৰ আৰম্ভণি। খেলা-ধূলা কৰাতকৈ পঢ়া-শুনা কৰিহে তেওঁ বেছি ভাল পাইছিল। নিজে কিতাপ কিনি পঢ়িব পৰাকৈ তেওঁলোকৰ ঘৰুৱা অৱস্থা সিমান স্বচ্ছল নাছিল বাবে এ, চি, আৰ, মণিকামৰ ব্যক্তিগত পুথিভঁৰালৰ পৰা তেওঁ কিতাপ ধাৰলৈ নি পঢ়ি অঁতাই ওলোটাই দিছিল। এই কামত কালামক মণিকামে উদ্‌গণি যোগাইছিল। স্কুলীয়া শিক্ষাৰ উপৰিও তেওঁ সৰুতেই কেইবাজনো গুণী-জ্ঞানী ব্যক্তিৰ সংস্পৰ্শলৈ আহিছিল। তেওঁলোকৰ ভিতৰত আহমেদ জালালুদ্দিন আৰু চামচুদ্দিন বিশেষভাৱে উল্লেখযোগ্য। জালালুদ্দিন তেওঁতকৈ বয়সত পোন্ধৰ বছৰ ডাঙৰ আছিল। জালালুদ্দিন কালামৰ বাবে মহানুভৱ আছিল। জালালুদ্দিনে কালামৰ ভনীয়েক জোহৰাক বিয়া কৰাই তেওঁলোকৰ সম্পৰ্ক আৰু অধিক ওচৰ চপাই আনিছিল। চামচুদ্দিন আছিল কালামৰ খুৰাকৰ ল'ৰা। তেওঁ বাতৰি কাকত যোগনিয়াৰৰ কাম কৰিছিল। তেতিয়ালৈকে কালামে বাতৰি কাকত পঢ়িব পৰা হোৱা নাছিল। কাকতবোৰৰ বাতৰিত প্ৰকাশ হোৱা ছবিবোৰ চাই কালামে বৰ ভাল পাইছিল। যুদ্ধৰ সময়ত ৰামেশ্বৰম ষ্টেচনত ৰেল বন্ধ কৰি দিয়া হৈছিল। সেইবাবে চলন্ত গাড়ীৰ পৰাই কাকতৰ টোপলাবোৰ দলিয়াব লগা হৈছিল। ৰেলৰ পৰা দলিয়াই দিয়া কাকতৰ টোপলাবোৰ কালামে ধৰি ৰাখিছিল আৰু মাজে-মাজে সেইবোৰ গ্ৰাহকক বিলাইও দিছিল। তাৰ বিনিময়ত কালামে চামচুদ্দিনৰ পৰা কিছু টকা-পইচা পাইছিল। এয়া আছিল তেওঁৰ জীৱনৰ প্ৰথম নিজে কৰা উপাৰ্জন। পিছলৈ তেতেলী গুটি বিক্ৰী কৰিও তেওঁ অৰ্থ উপাৰ্জন কৰিছিল।

নিৰ্জু আৰু মনোযোগী স্বভাৱৰ কাৰণে বিদ্যালয়ৰ প্ৰতিজন শিক্ষকে কালামক বৰ মৰম কৰিছিল। প্ৰধানকৈ বিজ্ঞান শিক্ষক শিৱ সুব্ৰমনিয়াম আয়াৰে উচ্চ শিক্ষা ল'বলৈ তেওঁক সদায় উৎসাহ উদ্দীপনা যোগাই আহিছিল। প্ৰাথমিক বিদ্যালয়ৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত কালামে ৰামনাথ পুৰম স্কাৰ্টজ্ হাইস্কুলত নাম ভৰ্ত্তি কৰিলে। মাক দেউতাকে আব্দুল কালামে ভালদৰে পঢ়া-শুনা কৰি মাটিৰ হাকিম হোৱাটো বাঞ্ছা কৰিছিল। তেওঁলোকৰ সপোনক বাস্তৱত ৰূপ দিবলৈ তেওঁ মনপুতি পঢ়া-শুনা কৰিবলৈ ধৰিলে। এই স্কুলৰে শিক্ষক আয়াদুৰাই চলোমনে কালামৰ ছাত্ৰজীৱন সফলতাৰে পূৰ্ণ হোৱাত বিশেষ প্ৰভাৱ বিস্তাৰ কৰে। প্ৰৱল ইচ্ছাশক্তি, বিশ্বাস আৰু আকাংক্ষাৰ দ্বাৰা সকলো মানুহেই জীৱনৰ সকলো দিশত সফলতা লাভ কৰিব পাৰে বুলি আয়াদুৰাইৰ পৰাই কালামে এই শিক্ষা লাভ কৰিছিল।

স্কাৰ্টজ্ হাইস্কুলত পঢ়ি থকা অৱস্থাত ঘটা ঘটনা এটাও কালামৰ বাবে স্মৰণীয়। শিক্ষক ৰামকৃষ্ণ আয়াৰে এদিন শ্ৰেণীত অংকৰ পাঠদান কৰি থকা অৱস্থাত আব্দুল কালামে শ্ৰেণী কোঠাৰ সন্মুখেৰে অহা-যোৱা কৰি আছিল। এই কথাত শিক্ষক

জনৰ বৰ খং উঠিল আৰু শ্ৰেণীটোৰ সকলো ছাত্ৰ-ছাত্ৰীৰ সন্মুখতে কালামক শাস্তি দিলে। ফলস্বৰূপে কালামে মনপুতি পঢ়িব ধৰিলে। কেইদিন মান পাৰ হৈ গ'ল। শ্ৰেণীত অনুষ্ঠিত হোৱা অংকৰ পৰীক্ষাত এইবাৰ আব্দুল কালামে এশৰ ভিতৰত এশ নম্বৰেই পাবলৈ সক্ষম হ'ল। কালামৰ কৃতাকাৰ্য্যতাত শিক্ষকজন অতিশয় আনন্দিত হ'ল। তেঁও ছাত্ৰ-ছাত্ৰী সকলক ক'লে- 'মই এতিয়ালৈকে যাকেই শাস্তি দিছো, সিয়েই ভৱিষ্যতে গৈ ডাঙৰ মানুহ হৈছেগৈ। তোমালোকে মোৰ কথাখিনি ভালকৈ মনত ৰাখিবা যে, এই ছাত্ৰজনেই ভৱিষ্যতে আমাৰ স্কুলখন আৰু শিক্ষকসকললৈ গৌৰৱ কঢ়িয়াই আনিব।' এই কথা সুঁৱৰি কালামে আজিও আনন্দ লাভ কৰে।

কালামৰ পিতৃ-মাতৃ তথা শিক্ষাগুৰুৰ প্ৰতি সদায় অসীম ভক্তি আছিল। শিক্ষকসকলৰ কোনো কথাকে তেওঁ পাহৰা নাছিল। ১৯৯০ চনত মাদুৰাইত থকা কামৰাজ বিশ্ববিদ্যালয়ৰ সমাবৰ্তনত তেওঁ দীক্ষান্ত ভাষণ দিবলৈ গৈছিল। তেওঁ মাদুৰাই বিমান বন্দৰত নামিয়েই ওচৰতে থকা পূৰ্বৰ শিক্ষাগুৰু আয়াদুৰাই চলোমানৰ ঘৰলৈ গ'ল। কালামৰ অনুৰোধত চলোমান তেওঁৰ লগতে সমাবৰ্ত্তন অনুষ্ঠানলৈ আহিল। এই অনুষ্ঠানত সভাপতিত্ব কৰিছিল তামিলনাডুৰ সেই সময়ৰ গৱৰ্ণৰ পি, ছি, আলেকজেণ্ডাৰে। গৱৰ্ণৰে শিক্ষক চলোমানক মঞ্চত আসন গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱাত চলোমান মঞ্চতে বহিল। নিজৰ ভাষণৰ পিছত ড° কালামে শিক্ষাগুৰুৰ ভৰি চুই সেৱা কৰিলে। শিক্ষকৰ প্ৰতি শ্ৰদ্ধা-ভক্তি দেখি গৱৰ্ণৰজন অভিভূত হ'ল। এইজনেই ড° কালাম যিগৰাকী ব্যক্তিয়ে অশেষ সাধনাৰ বলত 'অগ্নি' মিছাইল উৎক্ষেপন কৰি প্ৰতিৰক্ষাৰ ক্ষেত্ৰত ভাৰতক এখোজ আগুৱাই নিছিল। উল্লেখযোগ্য যে 'অগ্নি' প্ৰক্ষেপন দৃশ্য উপভোগ কৰিবলৈ আহিছিল সেই সময়ৰ প্ৰতিৰক্ষা মন্ত্ৰী কে, চি, পন্ত। 'অগ্নি' পৰীক্ষা সফলতাৰে পাৰ কৰা বাবে কালামৰ ইচ্ছা অনুসৰি মাননীয় প্ৰতিৰক্ষা মন্ত্ৰী গৰাকীয়ে ৰিচাৰ্চ চেন্টাৰৰ চৌহদত ৰুবলৈ একলাখ গছৰ পুলি দিবলৈ প্ৰতিশ্ৰুতি বদ্ধ হৈছিল। এইজনেই কালাম যি গৰাকী ব্যক্তিয়ে কামত আত্মনিয়োগ কৰি থকা বাবে নিজৰ বিয়াৰ তাৰিখ পাহৰি চিৰকুমাৰ হৈ ৰ'ব লগা হ'ল। নিজৰ জ্ঞান-গৰিমাৰে বিভূষিত হৈ ড° কালামে ভাৰতৰত্ন ( ১৯৯৭ ইং ) উপাধি লাভ কৰাৰ উপৰিও বিশাল ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি (২০০২ ইং ) ৰ আসন অলংকৃত কৰে আৰু ২০২০ চনত সপোনৰ ভাৰত গঢ়িবলৈ সকলো শিশুকে সু-শিক্ষিত কৰি আত্মনিৰ্ভৰশীল হোৱাত গুৰুত্ব দিয়ে। ☐☐☐

## ২০০৯ চন গেলিলিঅ' আৰু ডাৰউইনৰ আন্তৰ্জাতিক বৰ্ষ ঃ

মহান জ্যোতিৰ্বিজ্ঞানী গেলিলিঅ' গেলিলি ( ১৫৬৪-১৬৪২) এ ১৬০৯ চনত প্ৰথম বাৰৰ বাবে দুৰবীণ ব্যৱহাৰ কৰিছিল। সেই উপলক্ষে ২০০৯বৰ্ষটো ( ৪০০ বছৰ পূৰ্ণ) আন্তৰ্জাতিক জ্যোৰ্তিবৈজ্ঞানিক বৰ্ষ হিচাপে পালন কৰা হয়। ইয়াৰ মূল বিষয় - 'বিশ্ব ব্ৰহ্মাণ্ডঃ আপোনাৰ, আপোনাৰ আৱিষ্কাৰৰ বাবে' (The Universe : Yours to Discover)

এই বছৰতেই প্ৰকৃতিবিদ জীৱবিজ্ঞানী চাৰ্লছ্ ডাৰউইন (১৮০৯-১৮৮২) ৰ জন্মৰ ২০০ বছৰ হয় আৰু তেওঁৰ আৱিষ্কৃত বিৱৰ্ত্তনবাদৰ ১৫০ বছৰ পূৰ্ণ হয়। সেইবাবে এই বছৰটো ডাৰউইন আৰু বিৱৰ্ত্তনবাদ আন্তৰ্জাতিক বৰ্ষ হিচাপেও পালন কৰা হয়।

# মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট আৰু গুৰগাঁৱত অনুষ্ঠিত ৰাষ্ট্ৰীয় সংহতি শিবিৰ

মানস প্ৰতিম শৰ্মা
স্নাতক তৃতীয় বৰ্ষ (কলা)

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অন্তৰ্নিহিত লক্ষ্য আৰু উদ্দেশ্য ফলৱতী কৰাৰ কাৰণে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ গোটটোৱে ইয়াৰ জন্ম লগ্নৰে পৰা এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ এই গৌৰৱোজ্বল ইতিহাসৰ কথা বৰ্ণনা কৰাৰ আগতে আমি ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ Objectives আৰু Mottoৰ বিষয়ে সম্যক ধাৰণা আহৰণ কৰাটো উচিত হ'ব।

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সামগ্ৰিক লক্ষ্য আৰু উদ্দেশ্য হ'ল ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সামাজিক চেতনা বোধ জগাই তোলা, নিজে বসবাস কৰা সমাজখনক সেৱা কৰাৰ মাজেৰে তেওঁলোকৰ অভিজ্ঞতা তথা ব্যক্তিত্বৰ বিকাশ সাধন কৰা। (Development of the personality of students through community service) ইয়াৰ কাৰণে তলত উল্লেখ কৰা বিষয় কেইটা উপলব্ধি কৰিবলৈ ছাত্ৰ-ছাত্ৰী সকলক সমৰ্থবান কৰি তুলিব লাগিব।

১। তেওঁলোকে কাম কৰিব লোৱা সমাজখনৰ বিষয়ে সম্যক উপলব্ধি কৰা ( to understand the community in which they work)।

২। নিজৰ সম্প্ৰদায় তথা সমাজখনৰ সম্পৰ্কে নিজকে নিজে বুজি পোৱা ( to understand themselves in relation to their community)।

৩। ছাত্ৰ-ছাত্ৰীসকলে নিজে জড়িত হৈ সমাজখনৰ লোক সকলৰ সমস্যা আৰু প্ৰয়োজনীয়তাবোৰ চিহ্নিত কৰা আৰু তাৰ সমাধানৰ পথ বিচাৰি উলিওৱা ( to identify the needs and problems in the community to solution of which they can be involved)।

৪। তেওঁলোকৰ মাজত সামাজিক আৰু নাগৰিক হিচাপে নিজস্ব দায়বদ্ধতা সম্পৰ্কে এক সজাগতাৰ সৃষ্টি কৰা ( to develop among themselves a sense of social and civic responsibility)।

৫। তেওঁলোকে আহৰণ কৰা শিক্ষাক ব্যক্তিগত তথা সামুহিক সমস্যাবোৰৰ বাস্তৱসন্মত সমাধানৰ কামত প্ৰয়োগ কৰা ( to apply their education in finding practical solutions to individual and community problems)।

৬। দলগত তথা সমূহীয়া জীৱন-যাপন আৰু দায়িত্বৰ ভাগ বিতৰণ কৰি লোৱাৰ কাৰণে দক্ষতা আহৰণ কৰা ( todevelop compitence required for group living sharing responsibilities)।

৭। সামুহিক কাম-কাজত অংশ গ্ৰহণৰ কাৰণে জনসাধাৰণক উদ্বুদ্ধ কৰি তোলাৰ কৌশল আহৰণ কৰা ( gain skills in mobilising community participation)।

৮। নেতৃত্ব সুলভ গুণ আৰু গণতান্ত্ৰিক ভাৱধাৰা আহৰণ কৰা (to appear leadership qualities and democratic attitude)।

৯। প্ৰাকৃতিক দুৰ্য্যোগ তথা জৰুৰী পৰিস্থিতিৰ সন্মুখীন হ'বলৈ সামৰ্থ আহৰণ কৰা (to develop capacity to meet

imergencies and natural disasters) আৰু

১০। জাতীয় সংহতি মজবুত কৰাৰ কাৰণে কাম কৰি যোৱা (practise national integration)।

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ Motto বা Watchword হ'ল - NOT ME BUT YOU. ই বহন কৰা তাৎপৰ্য্য হ'ল, The essence of democratic living and upholds the need for selfless service and appreciation of the other man's point of view and also to show consideration for fellow human beings. It underlies that the welfare of an individual ultimately depends on the welfare of society as a whole. Therefore, it should be the aim of the N.S.S to demonstrate this motto in its day to day programme" (Quoted from National Service Scheme manual, Govt. of India, New Delhi)

গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ইয়াৰ অধীনৰ যি কেইখন মহাবিদ্যালয়ক ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বাবে বাছনি কৰিছিল সেই তালিকাত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়খনো অন্তৰ্ভুক্ত হৈছিল। সেইমৰ্মে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয় কৰ্তৃপক্ষই এখন NSS Advisory Committee গঠন কৰি আৰু কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীক NSS ৰ স্বেচ্ছাসেৱক হিচাপে নামভৰ্ত্তি কৰি ১৯৭৬ চনৰ ২৪ জুলাই তাৰিখে এই মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে। অধ্যাপক শ্ৰীযুত মদন চন্দ্ৰ কাকতিদেৱে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ Programme Officer হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। আৰম্ভণি বছৰত NSS ৰ স্বেচ্ছাসেৱক আছিল ১১৩ জন আৰু তাৰে ২৭ গৰাকী আছিল ছাত্ৰী। NSS Advisory Committee য়ে ইয়াৰ প্ৰথম খন বৈঠকতে কেইটা মান কাৰ্য্যসূচী ৰূপায়ণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই কাৰ্য্যসূচী সমূহ আছিল-

১। N.S.S স্বেচ্ছাসেৱক সকলৰ শ্ৰমদানেৰে মহাবিদ্যালয় চৌহদত এখন Horticulture firm স্থাপন কৰা।

২। মহাবিদ্যালয়ৰ নিকতৱৰ্ত্তী জাৰাপাৰা আৰু চকাবাহা গাঁও দুখনক Adopted village হিচাপে গঢ়ি তোলা আৰু তাৰ কাৰণে স্বেচ্ছাসেৱক সকলৰ দ্বাৰা সমাজ সেৱা কৰা।

৩। মহাবিদ্যালয় চৌহদৰ চাফ-চিকুণ আৰু উন্নয়ন সাধন।

৪। নগৰবেৰাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত সেইসময়ত অনুষ্ঠিত কৰিবলৈ লোৱা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰত যোগদান কৰাৰ সিদ্ধান্ত।

সেই সময়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱৰ উৎসাহ, উদ্দীপনা, অন্যান্য অধ্যাপক-অধ্যাপিকা সকলৰ সহায় সহযোগিতা আৰু Programme Officer কাকতিদেৱৰ বিশেষ তৎপৰতাত স্বেচ্ছাসেৱক সকলৰ শ্ৰমদানৰ জৰিয়তে মহাবিদ্যালয়ৰ সমুখৰ পশ্চিম ফালে থকা ঠাইখিনিত কল, আনাৰস, নেমু, তামোলৰ পুলি আদিৰে পৰিপূৰ্ণ এখন সুন্দৰ উদ্যান গঢ়ি উঠে। ছাত্ৰ-ছাত্ৰীসকলে পৰৱৰ্ত্তী কালত সমূহীয়া ভাৱে এই বাগানৰ উৎপাদিত কল-আনাৰস আদি খোৱাৰ সুযোগ পাইছিল আৰু তাৰে অলপ অচৰপ বিক্ৰী কৰি পোৱা পইচা মহাবিদ্যালয়ৰ পুজিটো জমা কৰা হৈছিল। বিভিন্ন কাৰণত অৱশ্যে বৰ্ত্তমান এই বাগান খনৰ কোনো চিন-মোকাম নোহোৱা হৈছে। কাৰ্য্যসূচী অনুসৰি জাৰাপাৰা গাঁও, চকাবাহা গাঁও আৰু মহাবিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰাৰ ক্ষেত্ৰতো স্বেচ্ছাসেৱক সকলে পাৰ্যমানে সেৱা আগবঢ়ায়। নগৰবেৰাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত অনুষ্ঠিত কৰা NSSৰ বিশেষ কেম্পত যোগদান কৰি স্বেচ্ছাসেৱক সকলে সংশ্লিষ্ট অঞ্চলৰ ৰাইজক লৈ কাম কৰাৰ যি অপূৰ্ব নিদৰ্শন দেখুৱাইছিল সি সদায় স্মৰণীয় হৈ থাকিব। এই শিবিৰত স্বেচ্ছাসেৱক হিচাপে যোগদান কৰা বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সেইকালৰ ছাত্ৰ শ্ৰীভাৰত চন্দ্ৰ চৌধুৰীয়ে (বৰ্ত্তমান তেওঁ এই মহাবিদ্যালয়তে Laboratory Assistant হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছে) NSS ৰ সৰ্বশ্ৰেষ্ঠ স্বেচ্ছাসেৱক হিচাপে নিৰ্বাচিত হোৱাৰ গৌৰৱ অৰ্জন কৰে। পৰৱৰ্ত্তী বছৰ বোৰতো মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱ আৰু অধ্যাপক-অধ্যাপিকা সকলৰ সক্ৰিয় সহযোগত মহাবিদ্যালয়ৰ NSS গোটে NSS ৰ Spirit আৰু Motto

সাৰোগত কৰি বিভিন্ন শিবিৰ অনুষ্ঠিত কৰি NSS ৰ কাৰ্য্যসূচী সমূহ ৰূপায়ণ কৰি যায়। ইয়াৰ ভিতৰত এই মহাবিদ্যালয়ৰ কেম্পাচত অনুষ্ঠিত কৰা দুটা শিবিৰ বিশেষ উল্লেখযোগ্য আছিল। ইয়াৰ এটা শিবিৰৰ স্বেচ্ছাসেৱক সকলে মহাবিদ্যালয়ৰ পশ্চিম দিশে থকা মৃগাখোললৈ যোৱা ৰাস্তাটো মেৰামতি কৰি অহাযোৱাৰ কাৰণে উপযোগী কৰি দিয়ে আৰু আনটো শিবিৰৰ স্বেচ্ছাসেৱক সকলে মহাবিদ্যালয়ৰ ফুটবল পথাৰখনত মাটি তুলি খেলৰ উপযোগী কৰি তোলে। ১৯৮৩ খৃঃত বিদেশী বহিষ্কৰণৰ বাবে হোৱা আন্দোলনৰ সময়ত দুষ্কৃতিকাৰীয়ে ছমৰীয়াত বহুতো ঘৰবাৰী জ্বলাই ভষ্মীভূত কৰাত তাত ভালেমান পৰিয়াল গৃহহীন হৈছিল। গৃহহীন সকলৰ সহায়ৰ কাৰণে বিভিন্ন প্ৰান্তৰ পৰা অহা সাহাৰ্য্যকাৰী দল সমূহৰ লগতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ পৰাও NSS গোটৰ সদস্য সকল গৈ তাত শ্ৰমদান কৰি গৃহহীন ভালেমান পৰিয়ালক একো একোটা গৃহ নিৰ্মাণ কৰি দিছিল।

এইদৰে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি গ'লেও কিছু বছৰলৈ NSS গোটৰ কাৰ্যসূচী স্থবিৰ হৈ পৰে। পুনৰ অধ্যাপক শ্ৰীযুত অৱনী কুমাৰ দাসদেৱ Programme Officer হিচাপে নিযুক্ত হয়। NSSৰ Programme Officerৰ প্ৰশিক্ষণ লোৱাৰ উপৰিও NSS বিষয়ত গভীৰ অধ্যয়ন তথা জ্ঞান আহৰণ কৰি তেখেতে NSS গোটটোক সুযোগ্য নেতৃত্ব প্ৰদান কৰে। NSS স্বেচ্ছাসেৱক সকলৰ ব্যক্তিত্ব বিকাশৰ অৰ্থে তেখেতে ভালেমান কাৰ্যসূচী অনুষ্ঠিত কৰিছিল। তদুপৰি বিভিন্ন ঠাইত অনুষ্ঠিত কৰা সমাজ সেৱাৰ শিৱিৰ সমূহত মহাবিদ্যালয়ৰ NSSগোটে সেৱাৰ উৎকৃষ্ট নিদৰ্শন প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হয়।

ইতিমধ্যে অধ্যাপক শ্ৰীযুত অৱনী কুমাৰ দাসদেৱ 'নাক'ৰ Co-ordinator নিযুক্ত হোৱাত তেখেতে NSS ৰ Programme Officer ৰ দায়িত্বৰ পৰা অব্যাহতি বিচৰাত তদানন্তীন ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত লক্ষীকান্ত শৰ্মাদেৱে অধ্যাপক শ্ৰীযুত উমেশ চন্দ্ৰ ক'ৰদেৱৰ ওপৰতNSSৰ Programme Officer ৰ দায়িত্বভাৰ অৰ্পণ কৰে। অধ্যাপক ক'ৰচাৰৰ নেতৃত্বত মহাবিদ্যালয়ৰ গোটে আৰু এক নতুন মাত্ৰা লাভ কৰে। তেখেতে Programme Officer ৰ যাৱতীয় প্ৰশিক্ষণ আদি লোৱাৰ লগতে স্বেচ্ছাসেৱক সকলকো প্ৰশিক্ষণ পাতি লোৱাৰ কাৰণে সুবিধা কৰি দিয়ে। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ ড° নৃপেন গোস্বামীদেৱৰ উৎসাহ আৰু অনুপ্ৰেৰণা আৰু Advisory Committee ৰ সদস্য-সদস্যা সকলৰ পূৰ্ণ সহযোগিতাই NSS ৰ কাৰ্যসূচীসমূহ সফল ৰূপায়ণ কৰাত সহায় কৰি আহিছে। NSS ৰ স্বেচ্ছাসেৱক হিচাপে আমাৰো ক'ৰ চাৰক Programme Officer হিচাপে পোৱাৰ সৌভাগ্য হৈছিল। NSSৰ কাৰ্যসূচী সমূহত শুনা ক'ৰ ছাৰ আৰু দাসছাৰৰ ৰসাল ভাষণবোৰে আমাক এতিয়াও অনুপ্ৰাণিত কৰি থাকে। বৰ্তমান মহাবিদ্যালয়ৰ NSS গোটত "Red Ribbon Club" এক নতুন সংযোজন।

বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ NSS Unit ৰ স্বেচ্ছাসেৱক হিচাপে হাৰিয়ানাৰ গুৰগাঁৱত অনুষ্ঠিত হোৱা NSS ৰ ৰাষ্ট্ৰীয় সংহতি শিৱিৰত অংশগ্ৰহণ এক গৌৰৱৰ বিষয় বুলিয়ে বিবেচনা কৰিছোঁ। Programme Officer ক'ৰ চাৰে গুৰগাঁৱত NSS ৰ National Integration Camp এটা 17 May, 2009 ৰ পৰা 24 May, 2009 লৈ হ'ব বুলি ক'লে আৰু আমাকে ভিতৰ কৰি ৫ গৰাকী স্বেচ্ছাসেৱক-সেৱিকাক নিৰ্বাচন কৰি তালৈ যোৱাৰ কাৰণে ব্যৱস্থা কৰা বুলি ক'লে। কথাটো শুনি আমি ভালেই পালো কিন্তু পিছদিনা ক'লে যে, আমাৰ দলটোৰ যোৱা নহ'ব। তাৰ দুদিন পিচত আকৌ ক'লে যে দলটো যোৱাটো খাটাং হৈছে আৰু ৰেলৰ টিকট কিনিবৰ কাৰণে তেখেত যাব। তেখেতে বহু কষ্ট কৰি পইচা Manage কৰি টিকট কাটিলে আৰু আমাক ১৫ মে'ৰ দিনা ৰাতি শংকৰদেৱ কলা ক্ষেত্ৰত গৈ থাকিব দিলে। তিনি গৰাকী ছোৱালী ক্ৰমে শ্ৰীৰত্না ৰাভা, শ্ৰীৰিম্পা ৰাভা, শ্ৰীজয়শ্ৰী বড়ো আৰু শ্ৰীউজ্জ্বল চক্ৰৱৰ্ত্তী আৰু মই বকোৰ পৰা গৈ যথাসময়ত কলা ক্ষেত্ৰত উপস্থিত হ'লোগৈ আৰু ক'ৰ চাৰেও কলাক্ষেত্ৰত গৈ আমাক বাকী উত্তৰ পূৰ্বাঞ্চলৰ পৰা তালৈ যাবলৈ অহা ছাত্ৰ-ছাত্ৰী সকলৰ লগতে আমাৰ In-charge হিচাপে অহা মৰাণ কলেজৰ অধ্যাপক মাননীয় শ্ৰীযুত ৰোহিনী চেতিয়াৰ লগত

পৰিচয় কৰাই দিয়ে। পাছদিনা ৰাতিপুৱা ৬ বজাৰ ট্ৰেইনত আমি দিল্লী অভিমুখে ৰাওনা হওঁ। ১৭ মে'ৰ আবেলি ৩-১৫ বজাত আমি আমাৰ কেম্পৰ স্থান গুৰগাঁৱৰ প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ কেম্পাচত উপস্থিত হওঁ আৰু সকলোৱে অলপ জিৰণি লওঁ। সেইদিনাই সন্ধিয়া ৬ বজাত আমাৰ উদ্বোধনী শ্ৰেণী আৰম্ভ হয়। এনেকৈ ১৭মে'ৰ পৰা ২৪ মে'লৈ আমাৰ কেম্প চলে। ক্লাছৰ সূচীখন আছিল এনেধৰণৰ - ৰাতিপুৱা ৬ বজাত ব্যায়াম, ৭ বজাত ক্লাছ, ৯ বজাত Breakfast, ১০ বজাত পুনৰ ক্লাছ, ১২ বজাত দুপৰীয়াৰ আহাৰ, আবেলি ৪ বজাৰ পৰা ৭ বজালৈ ক্লাছ, পিছত ৰাতিৰ আহাৰ আৰু শেষত Cultural Programme। নিশা ১১ বজাত শুব লাগিব। মুঠতে এখন ধৰাবন্ধা ৰুটিন। ক্লাছ সমূহৰ বৈশিষ্ট্য আছিল এয়ে যে- ক্লাছ আৰম্ভ হৈছিল- ওঁম শান্তি' ধ্বনিৰে আৰু সমাপন হৈছিল আকৌ ওঁম শান্তি' ধ্বনিৰে।

যুৱ শক্তিৰ ওপৰত দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে। গতিকে দেশৰ যুৱক সকল শাৰীৰিক ভাৱে সুস্থ তথা চৰিত্ৰবান হোৱাটো অতি প্ৰয়োজন। সুস্থ দেহ এটাতহে সুস্থ মন এটাৰ বিকাশ হ'ব পাৰে। সেয়ে চৰিত্ৰ আৰু স্বাস্থ্যৰ বিষয়ত আমাক শিক্ষা প্ৰদান কৰা হৈছিল। ব্যায়াম শিক্ষা আৰু মনটোক নিয়ন্ত্ৰণত ৰখাৰ কাৰণে Meditation ৰ ওপৰত আমাক শিক্ষা দিছিল। মাদক দ্ৰব্যৰ ভয়াৱহতাৰ কথা ব্যাখ্যা কৰি আমাক ভালেমান চিত্ৰ প্ৰদৰ্শন কৰি দেখুৱাইছিল। তদুপৰি মানবীয় প্ৰমূল্যবোধ জাগ্ৰত কৰাৰ উদ্দেশ্যে আমাৰ ব্যৱহাৰ পাতি কথা বতৰা যে মাৰ্জিত, ভদ্ৰ আৰু নম্ৰ হ'ব লাগে সেই বিষয়ে জ্ঞান প্ৰদান কৰা হৈছিল। তদুপৰি দুৰ্গত সকলক সহায় কৰাৰ কাৰণে যুৱক সকল যে সদায় সাজু থাকিব লাগে সেই বিষয়েও আমাক কিছু শিক্ষা দিয়া হৈছিল। ইয়াৰ উপৰিও নিৰামিষ আহাৰ গ্ৰহণ আৰু ৰাতিপুৱা সোনকালে শয্যা ত্যাগ কৰাৰ ওপৰত জোৰ দিছিল। সেয়ে তাত থকা দিনকেইটাত আমিও ৰাতিপুৱা ৪ বজাতে শুই উঠিবলৈ বাধ্য হৈছিলো।

প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ ওঁম শান্তি ৰিট্ৰিট চেণ্টাৰৰ লগতে সমগ্ৰ চৌহদটো অতি সুন্দৰ, মনোমোহা আৰু আকৰ্ষণীয় আছিল। তাৰ পৰিৱেশে যেন সকলোৰে মন-প্ৰাণ সদায় শান্ত আৰু প্ৰফুল্লিত কৰি ৰাখিব।

বিভিন্ন ৰাজ্য সমূহৰ পৰা অহা ছাত্ৰ-ছাত্ৰী সকলৰ লগত মিলি-জুলি কেম্পত থাকোতে বিভিন্নতাৰ মাজত ভাৰতীয় একতা কেনেদৰে শিপাই আছে তাক মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰিছিলোঁ। তেনেকুৱা ধৰণৰ শিৱিৰ আদিয়ে ভাৰতবৰ্ষক ঐক্যবদ্ধ কৰি ৰখাত সঁচাকৈয়ে ভালেখিনি ইন্ধন যোগাব পাৰিব।

কেম্প শেষ হোৱাৰ পাছদিনা মাত্ৰ অলপ দিনৰ ভিতৰতে অতি আপোন হৈ উঠা গুৰ-গাঁৱৰ প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ চৌহদ আমি অতি দুখ মনেৰে এৰি আহিব লগা হৈছিল। ট্ৰেইন নিশা থকাৰ বাবে দিনত আমি বৃন্দাবন, মথুৰা আৰু আগ্ৰাৰ তাজমহল চাই আহোঁগৈ।

শেষত এই ভ্ৰমণত আমাৰ লগত Guide হিচাবে যোৱা মৰাণ মহাবিদ্যালয়ৰ অধ্যাপক মাননীয় শ্ৰীযুত ৰোহিনী চেতিয়া চাৰলৈ তেখেতৰ অকৃত্ৰিম সহায়-সহযোগিতাৰ কাৰণে আমাৰ অন্তৰভৰা কৃতজ্ঞতা যাচিছোঁ। লগতে আমাক এনে এক শিৱিৰত যোগদান কৰাৰ কাৰণে এক সুযোগ প্ৰদান কৰাৰ কাৰণে মাননীয় ক'ৰ চাৰলৈকো আমাৰ হিয়াভৰা কৃতজ্ঞতা আৰু ধন্যবাদ যাচিছোঁ। বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ NSS গোটে ইয়াৰে গৌৰৱোজ্জ্বল পৰম্পৰা অক্ষুণ্ণ ৰাখি সময়ৰ গতিত আগবাঢ়ি যাওঁক।

"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়
NSS গোট"।

□□□

# অনগ্ৰসৰ ছাত্ৰৰ শিক্ষা

দীপাঞ্জলি কলিতা
প্ৰৱক্তা, শিক্ষা বিভাগ

শিক্ষা আহৰণত প্ৰতিজন শিক্ষাৰ্থীয়ে সমানে আগবাঢ়িব নোৱাৰে। কাৰণ প্ৰত্যেক ছাত্ৰৰ ব্যক্তিগত মানসিক যোগ্যতা একে নহয়। আমাৰ শিক্ষানুষ্ঠান সমূহত সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে একে শিক্ষাৰ ব্যৱস্থা কৰা হয়। কিন্তু ফলাফলৰ ক্ষেত্ৰত দেখা যায় যে, বহুসংখ্যক ছাত্ৰ-ছাত্ৰী কৃতকাৰ্য্য হ'ব নোৱাৰে। শিক্ষা ক্ষেত্ৰত সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ লগত সমানে আগবাঢ়িব নোৱাৰাটোৱেই হৈছে অনগ্ৰসৰতা। মনোবিজ্ঞানীসকলে শিক্ষা আহৰণৰ যোগ্যতা অনুযায়ী শিক্ষাৰ্থীসকলক কেইবাটাও পৰ্য্যায়ত ভাগ কৰিছে। ইয়াৰ ভিতৰত তীক্ষ্ম বুদ্ধিৰ, অনগ্ৰসৰ আৰু মানসিকভাৱে বাধা গ্ৰস্থসকলৰ বৈশিষ্ট্য মনকৰিবলগীয়া। অনগ্ৰসৰ ছাত্ৰৰ বুদ্ধিৰ মান নিম্নমানৰ। এইসকল ছাত্ৰই ভালদৰে স্মৃতিশক্তি প্ৰয়োগ কৰিব নোৱাৰে বাবে সাধাৰণ ছাত্ৰৰ লগত শিক্ষাগ্ৰহণ কৰিলেও সমানে আগবাঢ়িব নোৱাৰে। সেয়ে ইহঁতে একেটা শ্ৰেণীত একাধিক বছৰ কটাবলগীয়া হয়।

শিক্ষাক্ষেত্ৰত এই অনগ্ৰসৰ শিক্ষাৰ্থীসকল শিক্ষকৰ বাবে ডাঙৰ সমস্যা। কাৰণ এটা শ্ৰেণীত বহুসংখ্যক অনগ্ৰসৰ ছাত্ৰ থকা দেখা যায়। এক বুজনসংখ্যক অনগ্ৰসৰ ছাত্ৰৰ প্ৰতি শিক্ষক কেতিয়াও আওকণীয়া হ'ব নোৱাৰে। শিক্ষাৰ দ্বাৰা প্ৰতিজন শিক্ষাৰ্থীৰ ব্যক্তিত্বৰ বিকাশ সাধন হোৱাৰ লগতে বাস্তৱ জীৱনটোত খাপ খাব পৰা বিধৰ হ'ব লাগিব। এইক্ষেত্ৰত শিক্ষানুষ্ঠান সমূহত অনগ্ৰসৰ শিক্ষাৰ্থীসকলক আগবঢ়াই নিয়াটো শিক্ষকৰ বাবে এক প্ৰত্যাহ্বান স্বৰূপ। অনগ্ৰসৰ ছাত্ৰ-ছাত্ৰীৰবাবে বেলেগ শিক্ষাৰ ব্যৱস্থা কৰিব পৰা নাযায়। সাধাৰণ শিক্ষাৰ্থীৰ লগত একেলগে শিক্ষাগ্ৰহণ কৰিলেও তেওঁলোক সমানে আগবাঢ়িব নোৱাৰে। যাৰ ফলত এওঁলোক মানসিকভাৱে ভাগি পৰে। শিক্ষক সকলেও এইসকল ল'ৰা-ছোৱালীৰ প্ৰতি বেয়া মনোভাৱ পোষণ কৰা দেখা যায়। প্ৰচলিত শিক্ষাব্যৱস্থাত পৰীক্ষাৰ কৃতকাৰ্য্যতাৰ মানদণ্ডৰে ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন কৰা হয়। একাধিক বছৰ অকৃতকাৰ্য্য হৈ থকা হেতুকে এওঁলোকৰ জীৱনলৈ অনিশ্চয়তা আহি যায়। বয়স বাঢ়ি যোৱাৰ লগে লগে শ্ৰেণীত সহপাঠীসকলৰ লগত দেহ মানসিক সমাযোজন কৰাত অসুবিধা আহি পৰে। এই অনগ্ৰসৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে উপযুক্ত শিক্ষাৰ ব্যৱস্থা কৰি সমস্যামুক্ত কৰাটো গুৰুত্বপূৰ্ণ বিষয়। ইয়াৰ বাবে শিক্ষকসকল যথেষ্ট সচেতন হোৱা দৰকাৰ। কাৰণ অনগ্ৰসৰ ছাত্ৰই শিক্ষানুষ্ঠানৰ মানদণ্ডও নিম্নগামী কৰি তোলে।

*অনগ্ৰসৰ ছাত্ৰৰ বুদ্ধিৰ মান স্বাভাৱিক ছাত্ৰতকৈ নিম্নমানৰ হোৱা বাবে পৰীক্ষাত কৃতকাৰ্য্য হ'ব নোৱাৰে, কিন্তু এইসকল ছাত্ৰৰ নিজস্ব শক্তি ক্ষমতা আৰু সম্ভাৱনীয়তা সমূহৰ স্বৰূপ ভালদৰে জানি উচিত শিক্ষাৰ ব্যৱস্থা কৰিব পাৰিলে অনগ্ৰসৰতাৰ সমস্যা আঁতৰ কৰিব পৰা যায়। এইক্ষেত্ৰত শিক্ষকসকলে প্ৰথমে ছাত্ৰৰ অনগ্ৰসৰতাৰ প্ৰকৃত কাৰণ জানি সেইমতে প্ৰয়োজনীয় শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।*

যদিও অনগ্ৰসৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষাৰ ফলাফল নিৰুৎসাহ জনক বা একোটা শ্ৰেণী উত্তীৰ্ণ হবলৈ একাধিক বছৰ লাগে, কিন্তু এওঁলোক অন্য দিশত পিছপৰা নহ'বও পাৰে। আচলতে অনগ্ৰসৰ ছাত্ৰৰ বুদ্ধিৰ মান স্বাভাৱিক ছাত্ৰতকৈ নিম্নমানৰ হোৱা বাবে পৰীক্ষাত কৃতকাৰ্য্য হ'ব নোৱাৰে, কিন্তু এইসকল ছাত্ৰৰ নিজস্ব শক্তি ক্ষমতা আৰু সম্ভাৱনীয়তা সমূহৰ স্বৰূপ ভালদৰে জানি উচিত শিক্ষাৰ ব্যৱস্থা কৰিব পাৰিলে অনগ্ৰসৰতাৰ সমস্যা আঁতৰ কৰিব পৰা যায়। এইক্ষেত্ৰত শিক্ষকসকলে প্ৰথমে ছাত্ৰৰ অনগ্ৰসৰতাৰ প্ৰকৃত কাৰণ জানি সেইমতে প্ৰয়োজনীয় শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

বুদ্ধিৰ নিম্নমান বিশিষ্টতাই অনগ্ৰসৰতাৰ মূল কাৰণ হলেও অন্যান্য কিছুমান কৰণতো ছাত্ৰ অনগ্ৰসৰ হ'ব পাৰে। ঘৰুৱা পৰিৱেশ, সামাজিক পৰিৱেশ আদি শিক্ষা আহৰণৰ প্ৰতিকূল হ'লে অনগ্ৰসৰতাৰ সৃষ্টি হ'ব পাৰে। অসুস্থ লগ-সংগৰ প্ৰভাৱ, ঘৰুৱা অৰ্থনৈতিক দুৰাৱস্থা আদিয়ে ছাত্ৰৰ পঢ়া-শুনাৰ প্ৰতি অমনোযোগিতা, উদাসীনতা, আগ্ৰহহীনতাৰ সৃষ্টি কৰে। শিক্ষকে শিক্ষা পৰিৱেশত এনেবোৰ দিশৰ প্ৰতি সতৰ্ক হ'ব লাগিব। শিক্ষানুষ্ঠানত ছাত্ৰৰ অনুপস্থিতিও অনগ্ৰসৰতাৰ মূল কাৰণ। বিভিন্ন কাৰণত সঘনাই স্কুলত অনুপস্থিত ছাত্ৰই শ্ৰেণীত নিজকে সমাযোজন কৰিব নোৱাৰে। ফলত অমনোযোগিতা, উদাসীনতাই স্বাভাৱিকতেই ছাত্ৰক অনগ্ৰসৰ কৰি তোলে। শিক্ষকৰ কঠোৰ অনুশাসন, ত্ৰুটিপূৰ্ণ শিক্ষণ পদ্ধতি আদিও অনগ্ৰসৰতাৰ কাৰণ হ'ব পাৰে। আবেগিক অসুস্থতাও শিক্ষা আহৰণত বাধাৰ সৃষ্টি কৰিব পাৰে। ঘৰুৱা পাৰিৱেশত পিতৃ-মাতৃৰ আদৰ যত্নৰ পৰা বঞ্চিত শিশু অনগ্ৰসৰ ছাত্ৰত পৰিণত হ'ব পাৰে। ইয়াৰ উপৰিও হীন স্বাস্থ্য, কিছুমান ত্ৰুটিপূৰ্ণ অভ্যাস য়েনে খোৱা-শোৱা আদি ঠিক নোহোৱা আদিয়েও শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যোৱাত বাধাৰ সৃষ্টি কৰে। যিহেতু জন্মগত হীনবুদ্ধিৰ লগতে অন্যান্য বিভিন্ন কাৰণত অনগ্ৰসৰ হ'ব পাৰে, সেইবাবে পৰীক্ষাৰ অকৃতকাৰ্য্যতাৰ হেতু শিক্ষকে ছাত্ৰক দোষাৰোপ নকৰি বা শাস্তিৰ ব্যৱস্থা নকৰি উক্ত কাৰণসমূহ ভালদৰে বিবেচনা কৰিব লাগে। ইয়াৰ বাবে মনোবিজ্ঞানী বা বিশেষজ্ঞসকলক মাজে-মাজে স্কুল পৰিদৰ্শন কৰাৰ ব্যৱস্থা কৰিব পাৰি। শিক্ষকে ব্যক্তিগত ভাৱে অনগ্ৰসৰ ছাত্ৰৰ দৈহিক মানসিক অৱস্থা তথা সামাজিক সমস্যাসমূহ জানিবলৈ চেষ্টা কৰিব লাগে। এনেবোৰ ছাত্ৰৰ স্কুলত নিয়মীয়া উপস্থিতিৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখিব লাগে। এটা শ্ৰেণীত অধিক সংখ্যক অনগ্ৰসৰ ছাত্ৰ-ছাত্ৰী থাকিলে তেওঁলোকক লৈ সুকীয়া শ্ৰেণী গঠন কৰি শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। এনে ক্ষেত্ৰত শিক্ষকে ব্যক্তিগতভাৱে মনোযোগ দিয়াটোও সম্ভৱ হ'ব। শিক্ষকৰ উপযুক্ত নিৰ্দেশনা তথা শিক্ষাৰ প্ৰতি ভালদৰে অভিৰোচিত কৰিব পাৰিলেও অনগ্ৰসৰতাৰ সমস্যা সমাধান কৰিব পৰা যায়।

অনগ্ৰসৰ ছাত্ৰৰ শিক্ষা ব্যৱস্থা মনোবৈজ্ঞানিক বিধৰ হ'ব লাগে। শিক্ষকে এনে ছাত্ৰৰ মনত আত্মবিশ্বাসৰ ভাৱ জগাই তুলিবলৈ আৰু মনৰপৰা হীনাত্মিকা মনোভাৱ গুচাবলৈ সহ পাঠ্যক্ৰমিক কাৰ্য্যৱলীত অংশগ্ৰহণৰ প্ৰতি উৎসাহিত কৰিব লাগে। শ্ৰেণীত বাৰে বাৰে অনুত্তীৰ্ণ হৈ স্কুল এৰি দি ঘৰুৱা তথা সামাজিক পৰিৱেশত অপসমাযোজিত হৈ এইসকল ল'ৰা-ছোৱালী যাতে অপৰাধী হৈ উঠিব নোৱাৰে তাৰবাবে বৃত্তিমুখী শিক্ষাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ বাবে অনগ্ৰসৰ ছাত্ৰৰ শিক্ষা ক্ৰিয়াভিত্তিক কৰি তুলিব লাগিব। দৃশ্য-শ্ৰব্য সঁজুলি প্ৰয়োগৰ যোগেদি শিক্ষা সহজে বুজিব পৰা বিধৰ কৰিব পাৰি। মুক্ত শিক্ষাৰ যোগেদিও এইসকল ল'ৰা-ছোৱালী উপকৃত হ'ব পাৰে। পৰীক্ষাত পাচ কৰাটোৱে শিক্ষাৰ উদ্দেশ্য নহয়। শিক্ষাৰ ব্যাপক উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষকে ছাত্ৰৰ ব্যক্তিত্বৰ বিভিন্ন দিশ বিকশিত কৰিবলৈ চেষ্টা কৰিব লাগিব। ইয়াৰ বাবে বিশেষকৈ শিক্ষকে শিক্ষা পৰিবেশত ব্যক্তি পাৰ্থক্যৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব।

আনহাতে অনগ্ৰসৰতাৰ বাবে পিতৃ-মাতৃয়ে সন্তানক অযথা দোষাৰোপ বা অইন ল'ৰা-ছোৱালীৰ লগত তুলনা নকৰি সিহঁতৰ প্ৰতিভাৰ অন্যান্য দিশবোৰ বিকশিত কৰাবলৈ চেষ্টা কৰিব লাগে। শিক্ষক সকলেও অভিভাৱকৰ লগত সম্পৰ্ক ৰক্ষা কৰি শিক্ষা পৰিৱেশত ধৈৰ্য্য সহকাৰে যত্ন লৈ অনগ্ৰসৰ সকলক আগবঢ়াই নি বাস্তৱ জীৱনত সমাযোজন স্থাপনত সহায় কৰিব লাগিব। ❑❑❑

# প্ৰতিবাদৰ অন্য নাম তছলিমা নাছৰিন

ড০ কমলেশ্বৰ ঠাকুৰীয়া
জ্যেষ্ঠ প্ৰৱক্তা, অসমীয়া বিভাগ



তছলিমা নাছৰিন নাৰী স্বাধীনতা সংগ্ৰামৰ এক জীৱন্ত অগ্নি স্ফুলিঙ্গ। মানৱাধিকাৰ, নাৰীৰ অধিকাৰ , মানৱতাবাদ আৰু ধৰ্মনিৰপেক্ষতাৰ বাবে আপোচহীন সংগ্ৰাম এই অগ্নিকন্যাৰ। নাৰীবাদী লেখিকাসকলে হেনো সদায় এখন মুখা পিন্ধি থাকে। নাৰীবাদী কিন্তু নিজকে নাৰীবাদী বুলি ক'বলৈ বেয়া পায়। নাস্তিকতাবাদী তছলিমা ইয়াৰ সম্পূৰ্ণ বিপৰীত। বাংলাদেশৰ দৰে এখন ধৰ্মীয় মৌলবাদী অধ্যুষিত ৰাষ্ট্ৰ, য'ত পদে পদে নাৰী হয় অৱহেলিত, পদদলিত; তেনে এখন পুৰুষ তান্ত্ৰিক দেশৰ পৰা নাৰী স্বাধীনতাৰ সপক্ষে আৰু ৰাষ্ট্ৰধৰ্মৰ বিৰুদ্ধে লেখনি হাতত তুলি লোৱাটো স্বাভাৱিকতে অতি বিপদজনক কথা। যুক্তিবাদী লেখনি, চোকা ভাষা, আপোচহীন মনোভাৱৰ বাবে তছলিমা নাছৰিনৰ খ্যাতি যিদৰে বিশ্বজোৰা, একেদৰে তেওঁ বিতৰ্কিতও।

তছলিমা নাছৰিনৰ জন্ম হয় বাংলাদেশৰ মৈমনসিংহ চহৰত পিতৃগৃহ 'অৱকাশত', ১৯৬২ চনৰ ২৫ আগষ্টত। দেউতাক ৰজৱ আলী এগৰাকী সুচিকিৎসক। মাক ইদুন আৰা। বাংলাদেশৰ মদাৰি নগৰ নামৰ এটি অতি পিচ পৰা অঞ্চলৰ গৰীব কৃষকৰ সন্তান ৰজব আলী মৈমনসিংহ চহৰত থাকি পঢ়াশুনা কৰিছিল। হঠাতে এদিন চহৰৰ বহলমনৰ অধিকাৰী মনুৰুদ্দিন মুন্সিৰ লগত চিনাকি হয়। মনুৰুদ্দিন মুন্সিয়ে ৰজব আলীৰ প্ৰতি সদয় হৈ লিখা পঢ়াৰ দায়িত্ব লয়। পিচলৈ মুন্সিৰ সাহাৰ্য্যতে ৰজব আলীয়ে চিকিৎসা বিদ্যা অৰ্জন কৰি এগৰাকী খ্যাতি সম্পন্ন চিকিৎসক হয়। মুন্সিৰ জীয়ৰী ইদুন আৰাৰ সৈতে ৰজব আলীৰ নিকাহ সম্পন্ন হয়। তেওঁলোকৰ চাৰিটা সন্তান; নোমান, কামাল, নাছৰিন আৰু ইয়াছমিন। অতি সম্ভ্ৰান্ত জীৱন যাপন কৰা ডা° ৰজব আলী এজন অতি কঠোৰ মনৰ উচ্চাভিলাসী পিতৃ। পত্নী ইদুন আৰা বেগম ধৰ্মৰ মোহত আচ্ছন্ন পুৰুষতন্ত্ৰৰ চিকাৰ, দলিত, শোষিত নাৰী। কঠোৰ প্ৰশাসক স্বামীক তেওঁ সমৰ্থন কৰিব নোৱাৰে, কিন্তু তাৰ প্ৰতিবাদো কৰিব নোৱাৰে।

ডা° ৰজব আলীৰ ইচ্ছা তেওঁৰ আটাইকেইটি সন্তান এফ.চি পি.এচ উত্তীৰ্ণ চিকিৎসক কৰাৰ। তাৰ বাবে তেওঁ যত্নৰ ত্ৰুটিও কৰা নাছিল। কিন্তু তেওঁৰ আন কেইটি সন্তানে মাক-দেউতাকৰ ইচ্ছাৰ বিপৰীতে স্বনিৰ্বাচিত জীৱন যাপন কৰিলেও, দেউতাকৰ ইচ্ছা পূৰণ কৰি তছলিমা এগৰাকী চিকিৎসক হয়

আৰু পিচলৈ দেশে-বিদেশে প্ৰখ্যাত লেখিকা তছলিমা নাছৰিন নামে বিখ্যাত হৈ পৰে।

তছলিমাৰ শিক্ষা আৰু চাকৰি জীৱনৰ অধিক কাল ব্যতিত হয় মৈমনসিংহ চহৰ আৰু ঢাকা চৰকাৰী চিকিৎসা মহাবিদ্যালয়ক কেন্দ্ৰ কৰি। পিতৃৰ কঠোৰ অনুশাসনৰ মাজত ডাঙৰ-দীঘল হোৱা তছলিমাৰ মাজত নিভৃতে গঢ়লৈ উঠে এক তীব্ৰ অনুসন্ধানী মন। তেওঁৰ অনিমেষ আৰু তীক্ষ্ণ সন্ধানী দৃষ্টিৰ পৰা সাৰি যোৱা নাছিল দৃঢ়মনা দেউতাকৰ নৈতিক স্খলন, ধৰ্মৰ নামত মাকৰ গভীৰ অন্ধকাৰ জগতত প্ৰৱেশ, পীৰ আমিৰুল্লাহৰ অনাচাৰ।

জনপ্ৰিয়তাৰে আকাশ স্পৰ্শ কৰা প্ৰাবন্ধিক, ঔপন্যাসিক তছলিমাই সাহিত্য জগতত প্ৰৱেশ কৰে কবি হিচাপে। বাংলাদেশৰ কাব্যজগত যিদৰে অতি সমৃদ্ধ, একেদৰে কাব্যৰসিকৰ জগতখনো বিচিত্ৰ। বাংলাদেশৰ ৰিক্সাচালকেও হেনো জিৰণিৰ সময়ত কবিতা পুথি পঢ়ে। তছলিমাই 'সেঁজুতি' নামৰ এখন পত্ৰিকা প্ৰকাশ কৰিছিল, যাৰ মূল বিষয় আছিল কবিতা। সেঁজুতিৰ এগৰাকী নিয়মীয়া লিখক আছিল বাংলাদেশৰ জনপ্ৰিয় কবি ৰুদ্ৰ ওৰফে মহম্মদ ছহিদুল্লাহ। তছলিমা আৰু ৰুদ্ৰৰ কবিতা আধুনিক কবিতাৰ ৰূপত কঠিন শব্দৰ চাতুৰ্য কিম্বা দুৰ্বোধ্য নহয়। তেওঁলোক দুয়োজনৰ কবিতা আত্ম উন্মোচনৰেই এক অনন্য দলিল স্বৰূপ। দুৰ্বাৰ প্ৰেমৰ কবি ৰুদ্ৰৰ কবিতা পঢ়ি তছলিমা অৱলীলাক্ৰমে ৰুদ্ৰৰ প্ৰেমত আবদ্ধ হয়। স্বল্প শিক্ষিত, নাতিদীৰ্ঘ, দীঘল দাড়ি-গোঁফেৰে ভৰা, পায়জামা কুৰ্ত্তা পৰিহিত, সংস্থাপনহীন ৰুদ্ৰৰ কোনো কথাই তছলিমাৰ বাবে প্ৰতিবন্ধক হৈ নাথাকিল। ঘৰৰ অজ্ঞাতে ৰুদ্ৰৰ সৈতে বিবাহ পাশত আৱদ্ধ হয়। 'অৱকাশ'ত প্ৰথম পদাৰ্পণ কৰিয়ে ৰুদ্ৰ তছলিমাৰ দেউতাকৰ তীব্ৰ ভৎসনাৰ সন্মুখীন হয়। এই অপমানৰ প্ৰতিবাদকল্পে ৰুদ্ৰৰ সৈতে কবিগৃহ মোংলালৈ গুচি গৈ দুয়ো যুগ্ম-জীৱনৰ পাতনি মেলে। কিন্তু দুৰ্ভাগ্যই লগ নেৰা তছলিমাই প্ৰথম নিশাই আৱিষ্কাৰ কৰে যে, ৰুদ্ৰ মদ আৰু নাৰী প্ৰীতিত আকণ্ঠ নিমজ্জিত, ৰুদ্ৰ কৰুণভাৱে চিফিলিচ ৰোগত আক্ৰান্ত। বহু চেষ্টা কৰিও যেতিয়া ৰুদ্ৰক শুদ্ধ পথলৈ আনিব নোৱাৰিলে তছলিমাই ৰুদ্ৰক ত্যাগ কৰি ঢাকাত অকলশৰে থাকিবলৈ ল'লে। বাংলাদেশত অকলশৰে থাকিবলৈ কোনো নাৰীকে ঘৰ ভাৰাত দিয়া নহয়, ই নীতিবিৰুদ্ধ কথা। আনকি নাৰীয়ে অকলে গাড়ীত যাত্ৰাৰ কালতো চালকৰ পিচত বা শিশুৰ কাষত অন্যথা বৃদ্ধপুৰুষৰ কাষতহে বহিব পাৰে।

অকলশৰীয়া জীৱনত তছলিমাই চিকিৎসকৰ চাকৰি আৰু লিখা-মেলা সমান্তৰাল ভাৱে চলাই যায়। ভোৰেৰ কাগজ, আজকেৰ কাগজ, খবৰেৰ কাগজ, সমীক্ষণ, যায় দিন যায় দিন, অনন্যা, ৰোববাৰ আদি কাকত-পত্ৰিকাত নিজস্ব কলম লিখি বাংলাদেশত এক প্ৰকাৰ ধুমূহাৰ সৃষ্টি কৰে।

কোৰাণ-হাদিছে পুৰুষক চাৰিজনীকৈ নাৰী বিবাহ কৰাৰ কথা কৈছে, কিন্তু নাৰীয়ে মাথোন এবাৰহে নিকাহ কৰিব পাৰে। তছলিমাৰ যুদ্ধ ইছলাম ধৰ্মৰ বিৰুদ্ধেও। এই সময়তে তেওঁ সমাজৰ বাধা নিষেধ নামানি মুক্তমনে বিভিন্ন পুৰুষৰ সৈতে খোলা মেলা বন্ধুত্ব স্থাপন কৰি এক অগতানুগতিক জীৱন যাপন কৰিবলৈ ধৰে। 'সুগন্ধ' নামৰ এখন পত্ৰিকাত তছলিমা বিৰোধী অনেক অশ্লীল খবৰ প্ৰকাশ পায় থাকে। এনে খবৰত অতিষ্ঠ হৈ এদিন দেউতাক আৰু ককায়েক তছলিমাৰ ঘৰত উপস্থিত হয়। দেউতাকে সুগন্ধৰ এটা কপি তেওঁৰ আগত দাঙিধৰি নানান প্ৰশ্ন কৰে। তাৰ পিচত আৰম্ভ হয় তছলিমাৰ ওপৰত দেউতাকৰ প্ৰচণ্ড মাৰপিট। মৈমনসিংহৰ অবকাশৰ এটি কোঠাত আৱদ্ধ কৰি থৈ বৰ্হিজগতৰ সৈতে তছলিমাক সম্পূৰ্ণ বিচ্ছিন্ন কৰি এক কদৰ্যময় জীৱন যাপন কৰিবলৈ বাধ্য কৰায়। সুযোগ পাই এদিন পলাই গৈ আশ্ৰয় লয় বন্ধু মোহাম্মদ আলি মিনাৰৰ ঘৰত। মিনাৰে তছলিমাক বিয়াৰ প্ৰস্তাব আগবঢ়ায়। ঘটনাৰ আকস্মিকতাত বিপৰ্যস্তা তছলিমাই গভীৰ জালত খেৰকুটাকে সাবটি লোৱাৰ দৰে নিকাহৰ নামত এখ নৰ পিচত আন এখন কাগজত চহী কৰি যায়।

পুৰুষ আধিপত্য তছলিমাৰ প্ৰতিবাদৰ অন্যতম বিষয়। মদমত্ত স্বামী মিনাৰেও আৰম্ভ কৰিলে পত্নীৰ ওপৰত মধ্যযুগীয় বৰ্বৰতা। পুনৰ দুৰ্ভাগ্যৰ চিকাৰ হয় তছলিমা। মিনাৰক ত্যাগ কৰি ঢাকা চহৰৰ শান্তিবাগত থাকিবলৈ লয়।